Content includes AI-generated material

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, MAY 16, 2025 ■ শুকুৰবাৰ, ১ জেঠ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৩৮ Guwahati, Assam ।। মূল্যঃ এটকা

## পথ মেৰামতিৰ দাবী, ডুমডুমাত মানৱ শৃংখল

ইং-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৫ মে': আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ তিনিচুকীয়া জিলা ২ পৃষ্ঠাত

## ক্ষণে তুষ্ট, ক্ষণে ৰুষ্ট... এপ'লৰ আইফোনক লৈ অসন্তুষ্ট

# ভাৰত-মাৰ্কিন বাণিজ্যক লৈ বিষাক্ত খেল 'বন্ধু' ট্ৰাম্পৰ



ডোহাত মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প

■ এপ'লৰ চিইঅ'ক ভাৰতত কাৰখানা স্থাপন নকৰিবলৈ সকীয়াই দিলে ট্ৰাম্পে
■ ভাৰতৰ শুল্ক নীতিক লৈও অসন্তুষ্টি

নতুন দিল্লী, ১৫ মে': ভাৰতক লৈ দুমুখীয়া স্থিতিৰে আকৌ এবাৰ চৰ্চাত 'মোদীবন্ধু' ড'নাল্ড ট্ৰাম্প। এইবাৰ ভাৰত আৰু এপলৰ সম্পৰ্কত যতি পেলাবলৈ যেন উঠিপৰি লাগিছে ৬ পৃষ্ঠাত

## শ্ৰীনগৰত ৰাজনাথ সিং 'সিঁহতে সেন্দূৰ মচিছিল, আমি ঘাঁ দিছো বুকুত'

শ্ৰীনগৰ, ১৫ মে': পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ সফল 'অপাৰেচন সেন্দূৰ' সামৰিক অভিযানৰ পিছত জম্মু ৪ পৃষ্ঠাত

## শান্তিৰ অসমত চুৰি! মন্ত্ৰী পবিত্ৰৰ আবাসত চোৰৰ হাত চাফাই

ইং-সংবাদ, ১৫ মে': অসমৰ আন প্ৰান্তৰ দূৰৰ কথা, এতিয়া খোদ ৩ নং পৃষ্ঠাত

## গৃহমন্ত্ৰী শ্বাহে দিলে তথ্য ছত্তীশগড়ত ২১ দিনত নিহত ৩১ জন নক্সাল

ৰায়পুৰ, ১৫ মে': সমগ্ৰ দেশৰ পৰা নক্সালবাদ নিৰ্মূল কৰাৰ প্ৰতিশ্ৰুতি দিছিল কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত ৩ নং পৃষ্ঠাত

## ম্যানমাৰ সীমান্তত ১০ বিদ্ৰোহী নিহত

ইম্ফল, ১৫ মে': ভাৰত-ম্যানমাৰ সীমান্তত অব্যাহত থকা উগ্ৰপন্থী কাৰ্যকলাপৰ মাজতে বৃহৎ শেষাংশ ৫ পৃষ্ঠাত

## আকৌ মিত্ৰতাৰ ফালে ঢাল খাইছে অখিল গগৈৰ মন, শৃংখলকো দিব হেনো ধন!



ইং-সংবাদ, ১৫ মে': সংবাদ মাধ্যমত চৰ্চাত থাকি ভালপোৱা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে এটা দিনতে কেইবাবাৰো সংবাদ মাধ্যমত বক্তব্য দিবলৈ ৬ পৃষ্ঠাত

## বিধানসভাত এআই অংকিতা!

ইং-সংবাদ, ১৫ মে': হয়, এতিয়াৰ পৰা অসমৰ বিধানসভাৰঅধিৱেশন ৭ পৃষ্ঠাত

## গোৱালপাৰাত মুখ্যমন্ত্ৰীৰ ভাষ্য কংগ্ৰেছৰ লগত নাই হিন্দু কিম্বা মুছলিম



ইং-সংবাদ, ১৫ মে': পঞ্চায়ত নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছতে আজি নামনি অসমৰ গোৱালপাৰা আৰু ধুবুৰী জিলা ভ্ৰমণ ৩ নং পৃষ্ঠাত

## উন্নয়নৰ ফোঁপোলা স্বৰূপ! মহানগৰীত গাৰ্ড ৱাল খহি মৃত্যু ঘটিল মহিলাৰ

ইং-সংবাদ, ১৫ মে': ৰাজ্য চৰকাৰৰ চতুৰ্থ বৰ্ষপূৰ্তিৰ দিনটোত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এনে শান্তিৰ ২ নং পৃষ্ঠাত


## অনাধিকাৰ প্ৰৱেশ হোষ্টেলত! বিহাৰত ৰাহুলৰ বিৰুদ্ধে এজাহাৰ

দৰভাংগাত শিক্ষা ন্যায় সংলাপত অংশগ্ৰহণ



পাটনা, ১৫ মে': বিহাৰৰ আসন্ন বিধানসভা নিৰ্বাচনৰ পূৰ্বে বৃহস্পতিবাৰ দাৰভাঙাত শিক্ষা ন্যায় সংলাপত অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীৰ সৈতে মিলিত হ'ল কংগ্ৰেছ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৫ পৃষ্ঠাত

## বীৰাঙ্গনাক লৈ অপবাক্য বিজেপি মন্ত্ৰী বিজয় শ্বাহক ভৰ্ৎসনা ছুপ্ৰিম ক'ৰ্টৰ



নতুন দিল্লী, ১৫ মে': ভাৰতৰ বীৰাংগনাক লৈ আপত্তিজনক মন্তব্য কৰি সমগ্ৰ দেশৰে ৪ নং পৃষ্ঠাত

## এনএছএৰ ধাৰাত আমিনুলক আকৌ গ্ৰেপ্তাৰ

লৈছিল পাকিস্তানৰ পক্ষ

ইং-সংবাদ, ১৫ মে': ধিং সমষ্টিৰ বিধায়ক তথা বদৰুদ্দিন আজমলৰ দল ৭ পৃষ্ঠাত চাওক

## আকৌ দুভাগ হ'ব পাকিস্তান! বেলুচিস্তানক স্বাধীন ঘোষণা

ইং-সংবাদ, ১৫ মে': আকৌ দুভাগ হোৱাৰ পথত পাকিস্তান! ভাৰত-পাক যুদ্ধ উত্তেজনাৰ মাজতে এইবাৰ পাকিস্তানৰ মূল ভূমিৰ পৰা একেবাৰে পৃথক হ'বলৈ ওলাইছে বেলুচিস্তান। পৃথক দেশ হিচাপে স্বীকৃত হোৱাৰ দীৰ্ঘদিনীয়া দাবীৰ পিছত এতিয়া পাকিস্তানৰ পৰা স্বাধীনতাৰ প্ৰতীকী ঘোষণা জাৰি কৰি বিদ্ৰোহক নতুন মাত্ৰা প্ৰদান কৰিছে বেলুচ জাতীয়তাবাদী নেতাসকলে। উল্লেখ্য যে যোৱা সপ্তাহতে ছ'চিয়েল মিডিয়াত ৫ নং পৃষ্ঠাত

## বেলুচ ভূমিৰ হিন্দু মন্দিৰক লৈ মুখ্যমন্ত্ৰী হিমন্তৰ পোষ্ট

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মহানগৰীত গাৰ্ড ৱাল খহি মৃত্যু

অসম পূৰ্বে কাহানিও দেখা নাছিল বুলি দাবী কৰিছিল। মূলতঃ মুখ্যমন্ত্ৰীয়ে মানুহৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষাৰ কথা নিশ্চয়কৈ কৈছিল। কিন্তু মুখ্যমন্ত্ৰীয়ে ১০ মে'ত চৰকাৰখনে চাৰি বছৰ সম্পূৰ্ণ কৰাত সুৰক্ষিত অসমৰ কথা উল্লেখ কৰাৰ চাৰি দিন পিছতে গুৱাহাটীত ব্যস্ত বজাৰৰ মাজত গাৰ্ড ৱাল খহি পৰি এগৰাকী দুৰ্ভগীয়া মহিলাই প্ৰাণ হেৰুৱাবলগীয়া হৈছে। চৌদিশে উন্নয়নৰ শ্ল'গান দি ফুৰা বিজেপি চৰকাৰৰ দিনত ৰাজধানী দিছপুৰত জনতা ভৱনৰ পৰা মাথোঁ এক কিলোমিটাৰ নিলগত এগৰাকী সামগ্ৰী বিক্ৰী কৰিবলৈ অহা মহিলাই মৃত্যুক সাবটি ল'বলগীয়া হয়। জনতা ভৱনৰ সমীপতে সদাব্যস্ত তথা জনবহুল বেলতলা বজাৰৰ গাৰ্ড ৱাল খহি শাক-পাচলি বিক্ৰী কৰিবলৈ অহা দৰিদ্ৰ মহিলা অঞ্জু ৰংহাং নিহত হয়। গুৱাহাটী মহানগৰীৰ অন্যতম ব্যস্ত বেলতলা বজাৰত আজি হঠাতে হাহাকাৰ লাগে। বজাৰ চৌহদৰ ওচৰৰ গাৰ্ড ৱাল খহি পৰাত হুৱাদুৱা লাগে। এই ঘটনাত অন্ততঃ চাৰিজন লোক আহত হয় যদিও এগৰাকী মহিলাই প্ৰাণ হেৰুৱায়। সংকটজনক অৱস্থাত হাস্পতালত ভৰ্তি কৰা হৈছিল যদিও অঞ্জু ৰংহাং নামৰ মহিলাগৰাকীয়ে প্ৰাণ হেৰুৱায়। দেওবাৰ আৰু বৃহস্পতিবাৰে বহা বজাৰখনৰ আজি সাপ্তাহিক বজাৰ আছিল। বজাৰখনত হৈছিল বৃহৎ ভিৰ। তেনে সময়তে জনসমাগম থকা বজাৰৰ কেন্দ্ৰস্থানত এখন দেৱাল খহি পৰে। বাহিনী নৈৰ কাষৰ দেৱালখন খহি পৰাত হাহাকাৰ লাগে। মুহূৰ্ততে বজাৰত আতংকৰ সৃষ্টি হয়। চিঞৰি চিঞৰি একাংশ লোকে দৌৰিবলৈ আৰম্ভ কৰে। দেৱালৰ দাঁতিত বহা কেইবাগৰাকী চবজী বিক্ৰেতা মহিলা দেৱালখনৰ তলত সোমাই পৰে। লগে লগে একাংশ লোকে মহিলাসকলক উদ্ধাৰৰ প্ৰয়াস কৰে। কিছু সময় পিছতে আৰক্ষীৰ দল আহি উপস্থিত হয়। ইয়াৰে অঞ্জু ৰংহাঙৰ অৱস্থা সংকটজনক হৈ পৰাত ওচৰতে থকা এজাইল হাস্পতালত ভৰ্তি কৰোৱা হয়। কিন্তু উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে যদিও মৃত্যুক আঁকোৱালি লয়। জানিব পৰা মতে, বাহিনী নৈৰ দাঁতিত দিয়া দেৱালৰ এটা বৃহৎ এলেকা খহি পৰাত বাক্সাৰ ২ নং চিলাগুটিৰ মুক্তাৰ দেউৰী (৬০), ডাংগৰ মাখাৰ লাইফাং বড়ো (৪৬), কামৰূপ মহানগৰৰ কমাৰকুছিৰ ভোগিলা ৰাজবংশী (৬০), ক্ষেত্ৰীৰ অঞ্জু ৰংপি (৫০) আহত হৈছিল যদিও ইয়াৰে অঞ্জু ৰংপিৰ মৃত্যু হয়। এগৰাকী প্ৰত্যক্ষদৰ্শীয়ে সংবাদ মাধ্যমক কয় যে মই বহি আছিলো, হঠাতে দেৱলখন বাগৰি পৰে। ভয়ানক দৃশ্য দেখি মানুহবোৰে চিঞৰি দৌৰিবলৈ ধৰিছিল। এই ঘটনাৰ পিছতে অত্যধিক হাৰত মাচুল সংগ্ৰহ কৰা চৰকাৰখনে বিক্ৰেতা ৰূপে অহা মহিলা ব্যৱসায়ীক সুৰক্ষা দিব নোৱাৰে কিয়? গুৱাহাটী পৌৰসভা আৰু স্থানীয় প্ৰশাসনে বজাৰত সমৱেত লোকৰ সুৰক্ষাৰ বাবে চিন্তা কৰা নাছিল কিয়? কিয়নো বেলতলা বজাৰ গুৱাহাটী আৰু ওচৰ-পাঁজৰৰ অঞ্চলৰ বাবে আৰ্থিক কেন্দ্ৰ হিচাপে জনাজাত। বহু জনজাতীয় লোকে বজাৰখনত নিজৰ খেতিৰ সামগ্ৰী বিক্ৰী কৰিবলৈ আনে। ঘটনা সংঘটিত হোৱাৰ পিছতে কংগ্ৰেছ নেত্ৰী মীৰা বৰঠাকুৰ বজাৰখনত উপস্থিত হৈ চৰকাৰক তীব্ৰ আক্ৰমণ কৰে। গুণ্ডা টেক্স আৰু অবৈধ মাচুল সংগ্ৰহ কৰিছে যদিও বিজেপিয়ে বজাৰত বিক্ৰেতাক সুৰক্ষা দিব পৰা নাই বুলি কয়। ঘটনা সংঘটিত হোৱাৰ পিছত মেয়ৰজন উপস্থিত হ'ব লাগিছিল বুলি উল্লেখ কৰি কয় যে মেয়ৰজনে কালেকচন কৰাৰ লগতে মানুহক সুৰক্ষা দিয়ক। মানুহৰ পৰা কৰ-কাটল লৈ কাম কৰিম পৰা নাই। উন্নয়ন উন্নয়ন বুলি কয় যদিও বিজেপিৰ সকলো উন্নয়নেই তলে তলে ফোঁপোলা। বেলতলা বজাৰত কালেকচন ঠিকেই কৰিছে, প্ৰটেকচন দিব পৰা নাই। বেলতলা বজাৰত গাৰ্ড ৱাল ভাগি এজন নিহত আৰু কেইবাগৰাকী লোক আহত হোৱাৰ পিছতে মীৰা বৰঠাকুৰে বজাৰখনত উপস্থিত হৈ বিজেপি চৰকাৰক এইদৰে তীব্ৰ আক্ৰমণ কৰে। অসম প্ৰদেশ কংগ্ৰেছে এই বিষয়ত প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই কয় যে ৰাইজ সাৱধানে চলিব, যেনি-তেনি মৰণফান্দ পাতি থৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পথ মেৰামতিৰ দাবী, ডুমডুমাত মানৱ

সমিতিয়ে ডুমডুমা, কাকপথাৰ, ফিল'বাৰী, তালাপ-ডাঙৰী-ছেখোৱা, তিনিচুকীয়া, মাকুম, শদিয়া, জাতীয় মহিলা পৰিষদ, জাতীয় শ্ৰমিক পৰিষদৰ সহযোগত ছেখোৱা(ধলা)ঘাট অভিমুখী ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথচোৱা মেৰামতিৰ দাবীত ডুমডুমা নগৰত এক মানৱ-শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। অসমৰ পূবপ্ৰান্তৰ তিনিচুকীয়া জিলাৰ ৩৭নং আৰু ৩৮ নং মূল ৰাষ্ট্ৰীয় ঘাইপথ দুটা জৰাজীৰ্ণ অৱস্থাত থকা বাবে যাতায়তৰ ক্ষেত্ৰত ৰাইজে যথেষ্ট দুৰ্ভোগ ভুগি অহাৰ পিছতো বিয়োগোম গড়কাপ্তানী বিভাগৰ মূৰব্বীসকল, স্থানীয় জনপ্ৰতিনিধি কিম্বা শাসনাধিষ্ঠ বিজেপি চৰকাৰে অকণো গুৰুত্ব প্ৰদান কৰা নাই। আজি ৰূপায়ণ কৰা আন্দোলনৰ পৰা যুৱ-ছাত্ৰ পৰিষদে বুজাই দিয়ে যে, ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথচোৱাৰ তালাপ, ৰূপাই, ডুমডুমা, হাঁহচৰা, বৰহাপজান, মাকুম, তিনিচুকীয়া, পানীতোলালৈকে বৰ্তমান পুখুৰীসদৃশ ডাঙৰ-ডাঙৰ গাঁত সৃষ্টি হোৱাত বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট অসুবিধা সন্মুখীন হোৱাৰ লগতে ৰোগীসকল তথা ৰাইজেও যাতায়তৰ ক্ষেত্ৰত যমৰ-যাতনা ভুগিবলগীয়া হৈছে। ইয়াৰোপৰি পথচোৱাত দুৰ্ঘটনাত পতিত হৈ মানুহৰ মৃত্যুবৰণ হোৱাৰো উদাহৰণ আছে। আজিৰ কাৰ্য্যসূচীত আন্দোলনকাৰীসকলে অতি শীঘ্ৰেই ৪৭ নং ৰাষ্ট্ৰীয় ঘাইপথচোৱা মেৰামতি কৰক, অসম চৰকাৰ হায় হায়, গড়কাপ্তানী বিভাগ হায় হায়, ড° হিমন্ত বিশ্ব শৰ্মা হায় হায়, ৰূপেশ গোৱালা হায় হায়, ইত্যাদি বিভিন্ন শ্ল'গানেৰে ডুমডুমাৰ আকাশ-বতাহ কঁপাই তোলে। উল্লেখ্য যে, ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথচোৱাৰ সমান্তৰালকৈ ৩৮ নং ৰাষ্ট্ৰীয় ঘাইপথৰ মাৰ্ঘেৰিটা, লিডু, জাগুনপৰ্য্যন্ত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ চোৱাৰ দৰে একেই পুখুৰীসদৃশ ডাঙৰ-ডাঙৰ গাঁত। পথচোৱাৰ শোচনীয় অৱস্থাৰ বাবে ৰাইজৰ লগতে ছাত্ৰ-ছাত্ৰী, ৰোগীসকলেও যাতায়তৰ ক্ষেত্ৰত জীয়াতু ভুগিবলগীয়া হৈছে। স্মতব্য যে, ৩৮ নং ৰাষ্ট্ৰীয় ঘাইপথচোৱাৰ মাকুমৰ পৰা জাগুন সংযোগী ঐতিহাসিক ষ্টিলৱেল পথ কেৱল ৰাজ্যখনৰেই মূলপথ নহয়, ই আন্ত:ৰাষ্ট্ৰীয় সীমাৰেখাৰো মূলপথ। দুয়োটা পথৰেই দৈনিক সহস্ৰাধিক গাড়ী-মটৰ অহা-যোৱা কৰাৰ উপৰিও শিক্ষাৰ্থী, চাকৰিয়াল, পৰ্যটকৰ লগতে ৰাইজৰ দৈনিক অহা-যোৱা এই পথেৰেই চলে। সীমামূৰীয়া ৰাজ্য অৰুণাচলৰ পৰা গুৱাহাটীলৈ যোৱাৰ ক্ষেত্ৰত এই পথেচোৱাই হৈছে একমাত্ৰ পথ। বিভিন্ন সময়ত চৰকাৰৰ মূৰব্বী তথা ৰাজ্যখনৰ প্ৰভাৱশালী ব্যক্তিৰ চৰকাৰী কামত আগমনৰ সময়ত জিলা প্ৰশাসনে দুটামান শিলগুটি পথত জাপি দিয়েই দায় সামৰি থোৱাৰো বহু উদাহৰণ আছে। যাৰ পৰিণতিত আকৌ দুই-এদিনৰ পিছতেই জনসাধাৰণৰ বিলাই-বিপত্তি আৰম্ভ হ'য়। এনেদৰে বহু দিন, বহু মাহ, বহু বছৰ ৰাইজে দুয়োটা পথৰ জৰিয়তে যমৰ-যান্ত্ৰনা ভুগি আহিবলগীয়া হৈছে। কাৰ্যসূচীৰ শেষত ডুমডুমা সমজিলা আয়ুক্তৰ যোগেদি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ যুৱ-ছাত্ৰ পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি প্ৰবীণ তামূলী, সাধাৰণ সম্পাদক কল্যাণজ্যোতি মৰাণৰ স্বাক্ষৰিত এক স্মাৰক পত্ৰ প্ৰদান কৰে। আনহাতে, লিডুতো অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ তিনিচুকীয়া জিলা সমিতিয়ে মাৰ্ঘেৰিটা, ডিগবৈ, পেঙেৰী-বৰডুমচা, টিৰাপ-জাগুন আঞ্চলিক সমিতিসমূহেও জৰাজীৰ্ণ ৩৮ নং ৰাষ্ট্ৰীয় ঘাইপথচোৱাৰ মেৰামতিৰ দাবীত বিক্ষোভ কাৰ্য্যসূচী ৰূপায়ণ কৰে। পথটো শীঘ্ৰে মেৰামতি নকৰিলে অচিৰেই আৰু ভয়াবহ আন্দোলনৰ কাৰ্যসূচী লোৱা হ'ব বুলিও সকীয়াই দিয়ে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছৰ লগত নাই হিন্দু কিম্বা মুছলিম

কৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। দুয়োখন জিলাত কেইবাটাও প্ৰকল্প পৰিদৰ্শন কৰে মুখ্যমন্ত্ৰীয়ে। পঞ্চায়ত নিৰ্বাচনত কেইবাটাও সংখ্যালঘু এলেকাত বিজেপিয়ে ভাল ফলাফল লাভ কৰাৰ পিছতে ধুবুৰী আৰু গোৱালপাৰাৰ সংখ্যালঘু এলেকা ভ্ৰমণ কৰে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে ধুবুৰীৰ চাপৰত নিৰ্মাণ হ'বলগীয়া তাপ-বিদ্যুৎ প্ৰকল্পৰ ভূমি পৰিদৰ্শন কৰাৰ লগতে গোৱালপাৰাত চিকিৎসা মহাবিদ্যালয় নিৰ্মাণস্থলী পৰিদৰ্শন কৰে। গোৱালপাৰাৰ বনভূমি বেদখলমুক্ত কৰাৰ লগতে হাতী-মানুহৰ সংঘাত নিৰ্মূলৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি কয় মুখ্যমন্ত্ৰীগৰাকীয়ে। দুয়োখন জিলা ভ্ৰমণৰ সময়ত কংগ্ৰেছক তীব্ৰ আক্ৰমণ কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। কংগ্ৰেছে হিন্দু-মুছলমানৰ সমৰ্থন হেৰুৱাইছে বুলি দাবী কৰি কয় যে কংগ্ৰেছক হিন্দু আৰু মুছলমানে এৰিছে। পঞ্চায়ত নিৰ্বাচনত ১০০ শতাংশ মুছলমান জনসংখ্যা থকা অঞ্চলত বিজেপিয়ে ৮ খন জিলা পৰিষদৰ আসন লাভ কৰিছে। ইয়ে প্ৰমাণ কৰে যে আজি ৰাইজে উন্নয়ন আৰু কাম-কাজৰ ভিত্তিত ভোট দিছে। বিভাজনকামী ৰাজনীতিক ভোট নিদিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে বিধানসভাৰ অধিবেশনসমূহত কংগ্ৰেছে বাৰম্বাৰ অৰুণোদয় আঁচনি বাতিলৰ হুমকি দিয়ে। জনহিতৰ কথা চিন্তা কৰাৰ সলনি তেওঁলোকে জনকল্যাণমূলক আঁচনিক ৰাজনীতিৰ হাথিয়াৰ হিচাপে ব্যৱহাৰ কৰে। ৰাইজে এই বিষয়টো লক্ষ্য কৰিছে। বিটিআৰ নিৰ্বাচন সম্পৰ্কে বিজেপিৰ কৌশল ব্যাখ্যা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আমি কেৱল সেইবোৰ আসনতহে প্ৰাৰ্থী দিম য'ত আমাৰ জিকাৰ নিশ্চিতি আছে। য'ত আমাৰ গণভিত্তি নাই, তাত আমি প্ৰতিদ্বন্দ্বিতা নকৰোঁ। আমাৰ লক্ষ্য হৈছে জয়ী হোৱাটো কেৱল প্ৰতিদ্বন্দ্বিতা কৰা নহয়। পুনৰ গৌৰৱ গগৈৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে ১০ ছেপ্টেম্বৰত সাংসদ গৌৰৱ গগৈৰ পাকিস্তানৰ সৈতে সন্দেহজনক সম্পৰ্কৰ বিষয়ে বিস্তৃত তথ্য আগবঢ়াম। আমাৰ হাতত প্ৰমাণ আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছত্তীশগড়ত ২১ দিনত নিহত ৩১ জন

শ্বাহে। আৰু সেই প্ৰতিশ্ৰুতিৰে অংশ হিচাপে নিৰাপত্তা বাহিনীয়ে চলোৱা অভিযানৰ সময়ত লাভ হ'ল বৃহৎ সফলতা। চত্তীশগড়-তেলেংগানা সীমান্তৰ কুৰৰাগুট্টালু পাহাৰত ২১ দিনীয়া অভিযানত নিহত হয় ৩১ জন কুখ্যাত নক্সালবাদী। এই কথা প্ৰকাশ কৰে খোদ গৃহমন্ত্ৰী অমিত শ্বাহে। এক্সত শ্বাহে লিখিছে, “নক্সালমুক্ত ভাৰতৰ সংকল্পত এক ঐতিহাসিক সফলতা অৰ্জন কৰি নিৰাপত্তা বাহিনীয়ে চত্তীশগড়-তেলেংগানা সীমান্তৰ কুৰৰাগুট্টালু পাহাৰত এতিয়ালৈকে নক্সালবাদৰ বিৰুদ্ধে চলোৱা সৰ্ববৃহৎ অভিযানত ৩১ জন কুখ্যাত নক্সালবাদী নিহত হয়।” তেওঁ লগতে কয়, "প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত আমি নক্সালবাদৰ শিপা উভালি পেলাবলৈ বদ্ধপৰিকৰ। মই দেশবাসীক আশ্বস্ত কৰিছো যে ২০২৬ চনৰ ৩১ মাৰ্চৰ ভিতৰত ভাৰত নক্সালমুক্ত হ'ব।" শ্বাহে চিআৰপিএফ, এছটিএফ আৰু ডিআৰজিৰ সাহসিকতাৰ প্ৰশংসা কৰি কয়, "এসময়ত নক্সাল আতংকই ৰাজত্ব কৰা পাহাৰবোৰত আজি ত্ৰিৰংগা উৰিছে।" ইফালে, এই অভিযানত কোনো নিৰাপত্তাৰক্ষী হতাহত হোৱা নাই বুলিও তেওঁ কয়। অৱশ্যে আইইডি বিস্ফোৰণত তেলেংগানা গ্ৰেহাউণ্ডছ বাহিনীৰ তিনিজন সদস্য নিহত হোৱাৰ লগতে আন ৫ জন আহত হোৱা বুলিও গৃহমন্ত্ৰীয়ে জানিবলৈ দিয়ে। উল্লেখ্য যে ২১ এপ্ৰিলৰ পৰা আৰম্ভ হোৱা এই নক্সালবিৰোধী অভিযানত ৩৫ টা অস্ত্ৰ-শস্ত্ৰ, ৪৫০ টাতকৈও অধিক আইইডি, বিস্ফোৰক সামগ্ৰী আৰু ১২ হাজাৰ কিলোগ্ৰাম লজিষ্টিক সামগ্ৰী উদ্ধাৰ কৰা হয়। চিআৰপিএফৰ সঞ্চালকপ্ৰধান জ্ঞানেন্দ্ৰ প্ৰতাপ সিঙে কয় যে নিহত ৩১ জন নক্সালবাদীৰ ভিতৰত ২৮ জনক চিনাক্ত কৰা হৈছে। এই ২৮ জনৰ ওপৰত সৰ্বমুঠ ১.৭২ কোটি টকাৰ পুৰস্কাৰ ঘোষণা কৰা আছিল বুলিও জি পি সিঙে জানিবলৈ দিয়ে। অন্যহাতে, প্ৰতিকুল ভূখণ্ডৰ বাবে সকলো মৃতদেহ উদ্ধাৰ সম্ভৱ নহ'ল যদিও কেইবাজনো শীৰ্ষ মাওবাদী নেতা নিহত বা আহত হোৱাৰ প্ৰমাণ পোৱা গৈছে। সিঙে কয়, “২০২৬ চনৰ ৩১ মাৰ্চৰ ভিতৰত নক্সাল হিংসা সম্পূৰ্ণৰূপে নিৰ্মূল হ'ব।” তেওঁ কয় যে ২০১৪ ত ১২৬ খন নক্সাল প্ৰভাৱিত জিলা আছিল যদিও ২০২৫ ত সেয়া ১৮ লৈ হ্ৰাস পাইছে। এই অভিযানত ১৭ খন এফআইআৰ দাখিল কৰা হৈছে আৰু ৰাষ্ট্ৰীয় তদন্ত সংস্থাই (এনআইএ) নক্সাল নেটৱৰ্কৰ আৰ্থিক আৰু লজিষ্টিক সহায়ৰ তদন্তত যোগদান কৰিব পাৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিধানসভাত এআই অংকিতা!

চলি থকা সময়তে বিধানসভাৰ ডাঁৰৰ বাতৰি ডাঁৰে দিব অংকিতাই। আজি অংকিতাক অসমবাসীক চিনাকি কৰি দিয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। অংকিতা হৈছে কৃত্ৰিম বুদ্ধিমত্তাৰ এংকৰ। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অংকিতা নামৰ এক এআই চালিত এংকৰগৰাকী মুকলি কৰে। ভাৰততো এআই এংকৰৰ ক্ষেত্ৰত দ্ৰুত প্ৰসাৰ ঘটিছে। বহু টেলিভিছন চেনেল আৰু প্ৰতিষ্ঠানে ডিজিটেল সংবাদত এআই এংকৰ ব্যৱহাৰ কৰি সংবাদ প্ৰকাশৰ সময়তে অসম চৰকাৰে এআই এংকৰ অংকিতাক মুকলি কৰিছে। এটা ভিডিঅ'ত অংকিতাক অসমীয়া ভাষাত সৰলভাৱে অসম মন্ত্ৰী পৰিষদৰ সভাৰ আধুনিকতম সিদ্ধান্তসমূহ দিয়া দেখা যায়। মানুহৰ দৰে প্ৰাকৃতিক মুখাকৃতি চেহেৰা আৰু শুদ্ধ অসমীয়া উচ্চাৰণৰ সৈতে অংকিতাই সভাৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহ সুস্পষ্টভাৱে উপস্থাপন কৰে। ভিডিঅ'টো শ্বেয়াৰ কৰি মুখ্যমন্ত্ৰীয়ে লিখিছে যে ‘অংকিতাৰ সৈতে চিনাকি হওক, আমাৰ এআই সংবাদ এংকৰ, যিয়ে আপোনালোকক সদ্য সমাপ্ত অসম কেবিনেট বৈঠকৰ নতুন আপডেটবোৰ দাঙি ধৰিছে। ডিব্ৰুগড় বিমানবন্দৰ ভূপেন হাজৰিকাৰ নামেৰে কৰা অনুমোদনৰ পৰা আৰম্ভ কৰি চাহ বাগিচাৰ কৰ্মচাৰীৰ বাবে অনুদানৰ দৰে বহু সিদ্ধান্ত জনসাধাৰণৰ বাবে গ্ৰহণ কৰা হৈছে। এই ভিডিঅ'টো সামাজিক মাধ্যমত ব্যাপক চৰ্চাৰ বিষয় হৈ পৰিছে। কিছু লোকে এআইৰ উদ্ভাৱন আৰু সম্ভাৱনাক লৈ আশা প্ৰকাশ কৰিছে। আনহাতে আন বহু মানুহ সংবাদ এংকৰ আৰু সাংবাদিকৰ চাকৰি হেৰোৱাৰ আশংকা প্ৰকাশ কৰিছে। এজনে লিখিছে যে টেকন'লজি ব্যৱহাৰ কৰি ৰাইজলৈ তথ্য পঠিয়াবলৈ লোৱাত আচৰিত লাগিছে। আগুৱাই যোৱা অংকিতা। আন এজনে কয় যে অন্ততঃ এজন বাস্তৱ লোকক নিযুক্তি দিলে, এটাকৈ চাকৰিৰ সুবিধা পালেহেঁতেন।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মন্ত্ৰী পবিত্ৰৰ আৱাসত চোৰৰ হাত চাফাই

গুৱাহাটী মহানগৰীত কেন্দ্ৰীয় মন্ত্ৰীৰ ঘৰখনেই সুৰক্ষিত নহয়। ৰাজ্য চৰকাৰ চলাই থকা বিজেপি দলৰ নেতা-কৰ্মীয়ে কথাই প্ৰতি অসমৰ আইন-শৃংখলা পৰিস্থিতি উন্নত হোৱা বুলি দাবী কৰে যদিও এই দাবীক কালি নিশা চোৰে প্ৰত্যাহ্বান জনাই কেন্দ্ৰীয় মন্ত্ৰীৰ ঘৰত চুৰি কাণ্ড সংঘটিত কৰে। গুৱাহাটীৰ মাজমজিয়াত কেন্দ্ৰীয় মন্ত্ৰীৰ বাসগৃহত চোৰে তাণ্ডৱ চলাই গুৱাহাটী আৰক্ষীক চেলেঞ্জ কৰে। গুৱাহাটী মহানগৰীত শেহতীয়াকৈ চুৰি কাণ্ডৰ ঘটনাই ভয়ংকৰ ৰূপ লোৱাৰ সময়তে কেন্দ্ৰীয় ৰাজ্যিক বিদেশ মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ ৰুক্মিণীগাঁৱত নিৰ্মাণাধীন বাসগৃহত চুৰি কাণ্ড সংঘটিত হয়। দিনৰ পোহৰতে চোৰে লুটি নিয়ে মূল্যৱান সা-সামগ্ৰী। চোৰে বাসগৃহৰ পৰা প্ৰায় ৫ লাখ টকাৰ নিৰ্মাণ সামগ্ৰী আৰু বৈদ্যুতিক সঁজুলি চুৰি কৰি নিয়ে। মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা বিদেশ ভ্ৰমণত থাকোঁতেই তেওঁৰ পত্নী গায়ত্ৰী মহন্ত আৰু পুত্ৰ দিল্লীত থকাৰ সুযোগ গ্ৰহণ কৰি চোৰে এই কাণ্ড সংঘটিত কৰে। ঘটনাৰ পিছতেই গায়ত্ৰী মহন্তই দিছপুৰ থানাত অভিযোগ দাখিল কৰে। দিছপুৰ আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। এই ঘটনাই গুৱাহাটীৰ নাগৰিকৰ মাজত গভীৰ উদ্বেগৰ সৃষ্টি কৰিছে। চোৰৰ সাহস বাঢ়ি আহিছে বুলি কয় নাগৰিকে। মন্ত্ৰীৰ বাসগৃহই যদি সুৰক্ষিত নহয়, তেন্তে নাগৰিকৰ সুৰক্ষা ক'ত বুলি প্ৰশ্ন উত্থাপন কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপি মন্ত্ৰী বিজয় শ্বাহক ভৰ্ৎসনা

ৰোষত পৰিছে বিজেপি নেতা তথা মধ্যপ্ৰদেশৰ মন্ত্ৰী কোঁৱৰ বিজয় শ্বাহ। পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ 'অপাৰেচন সেন্দুৰ'ক সন্মুখৰ পৰা নেতৃত্ব দিয়া ভাৰতীয় সেনাৰ কৰ্নেল ছোফিয়া কুৰেশ্বী সন্দৰ্ভত কৰা বিতৰ্কিত মন্তব্যৰ বাবে উচ্চতম ন্যায়ালয়ৰ তীব্ৰ ভৰ্ৎসনাৰো সন্মুখীন হ'বলগীয়া হ'ল মন্ত্ৰী বিজয় শ্বাহ। মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ে শ্বাহৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিবলৈ দিয়া নিৰ্দেশৰ পিছত আদালতৰ এই নিৰ্দেশত স্থগিতাদেশ বিচাৰি ছুপ্ৰিম কৰ্টৰ কাষ চাপিছিল বিজেপি নেতাজন। কিন্তু সৰ্বোচ্চ আদালতটো একেদৰেই মুখথেকেচা খাবলগীয়া হ'ল তেওঁ। আজি মুখ্য ন্যায়াধীশ বি আৰ গভাই আৰু ন্যায়াধীশ অগাষ্টিন জৰ্জ মাছিহৰ বিচাৰপীঠে শ্বাহৰ মন্তব্যক "অগ্ৰহণযোগ্য আৰু অসংবেদনশীল" বুলি অভিহিত কৰি কয়, "আপুনি কেনেধৰণৰ মন্তব্য কৰিছে? সাংবিধানিক পদত অধিষ্ঠিত এজন ব্যক্তি দায়বদ্ধ হোৱা উচিত। সমগ্ৰ দেশ যেতিয়া অপাৰেচন সেন্দুৰৰ দৰে এক স্পৰ্শকাতৰ পৰিস্থিতিৰ মাজেৰে অতিক্ৰম কৰিছে, সেই সময়ত কথা কওঁতে অলপ সংযম প্ৰদৰ্শন কৰা উচিত।" আনহাতে মন্ত্ৰী হোৱাৰ বাবেই এনে মন্তব্য গ্ৰহণযোগ্য হ'ব নোৱাৰে বুলিও স্পষ্ট কৰি দিয়ে উচ্চতম ন্যায়ালয়ে। একে সময়তে শ্বাহক উচ্চ ন্যায়ালয়লৈ গৈ ক্ষমা খুজিবলৈও নিৰ্দেশ দিয়ে মুখ্য ন্যায়াধীশ গভায়ে। উল্লেখ্য যে এই বিতৰ্কৰ সূচনা হৈছিল মন্ত্ৰী কোঁৱৰ বিজয় শ্বাহৰ এটা ভাইৰেল ভিডিঅ'ক লৈ। সেই ভিডিঅ'টোত তেওঁ কৰ্নেল ছোফিয়া কুৰেশ্বীক লৈ অশোভনীয় মন্তব্য কৰা শুনা গৈছিল। কৰ্নেল কুৰেশ্বীক পাকিস্তানী সন্ত্ৰাসবাদীৰ ভগ্নী সজাই বিজেপি মন্ত্ৰীজনে কৰা এই মন্তব্যৰ পিছতে দেশজুৰি উঠে ক্ষোভৰ উদগীৰণ। আনহাতে, শ্বাহে দাবী কৰে যে তেওঁৰ মন্তব্যৰ ভুল ব্যাখ্যা কৰা হৈছে আৰু তেওঁৰ উদ্দেশ্য আছিল একমাত্ৰ কৰ্নেল কুৰেশ্বীৰ বীৰত্বৰ প্ৰশংসা কৰাহে। তেওঁৰ অধিবক্তা বীভা মাখিজাই আদালতত কয়, "সংবাদ মাধ্যমে তেওঁৰ মন্তব্যক অতিৰঞ্জিত কৰিছে।" মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ে এফআইআৰ দাখিল কৰিবলৈ দিয়া নিৰ্দেশক প্ৰত্যাহ্বান জনাই দাখিল কৰা শ্বাহৰ আবেদনৰ শুনানি গ্ৰহণৰ বাবেও অনুৰোধ জনায় অধিবক্তাই। এই আবেদনৰ পৰিপ্ৰেক্ষিতত উচ্চতম ন্যায়ালয়ে ১৬ মে'ত শুনানি গ্ৰহণ কৰে যদিও তেওঁৰ বিৰুদ্ধে এফআইআৰত তাৎক্ষণিক স্থগিতাদেশ দিবলৈ অস্বীকাৰ কৰে। ছুপ্ৰিম কৰ্টৰ বিচাৰপীঠে কয়, "কাইলৈ আমি এই কথা শুনিম। আপুনি জানে আপুনি কোন। ২৪ ঘণ্টাৰ পিছত একো নহ'ব।" উল্লেখ্য যে এই বিতৰ্কিত মন্তব্যৰ পিছতে মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ে স্বতঃপ্ৰণোদিত ব্যৱস্থা গ্ৰহণ কৰি মন্ত্ৰী শ্বাহৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ ১৫২, ১৯৬(১)(খ) আৰু ১৯৭(১)(গ) ধাৰাত এফআইআৰ দাখিল কৰিবলৈ আৰক্ষীক নিৰ্দেশ দিছিল। ১৪ মে'ত এই নিৰ্দেশ দিয়াৰ সময়ত ন্যায়াধীশ অতুল শ্ৰীধৰণ আৰু অনুৰাধা শুক্লাৰ বিচাৰপীঠে কয়, "মন্ত্ৰীগৰাকীৰ এই মন্তব্যই মূলতঃ মুছলমান সম্প্ৰদায় আৰু অন্যান্যৰ মাজত ঘৃণা, শত্ৰুতা বা পক্ষপাতিত্ব সৃষ্টি কৰাৰ সম্ভাৱনা আছে।" উচ্চ ন্যায়ালয়ে আৰক্ষী সঞ্চালকপ্ৰধানক তৎকালীনভাৱে এফআইআৰ দাখিল কৰিবলৈ নিৰ্দেশ দি বুধবাৰে সন্ধিয়ালৈকে এফআইআৰ দাখিল কৰিব নোৱাৰিলে আদালত অৱমাননা বুলি ধৰা হ'ব বুলিও সকীয়াই দিয়ে। ইফালে, আজি উচ্চতম ন্যায়ালয়ে শ্বাহক কৰা তীব্ৰ ভৰ্ৎসনাৰ পিছতে মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ে শ্বাহৰ বিৰুদ্ধে আৰক্ষীয়ে দাখিল কৰা এফআইআৰৰ মানদণ্ডক লৈ প্ৰশ্ন তুলি আৰক্ষীক সমালোচনা কৰে। ন্যায়াধীশ শ্ৰীধৰণে কয়, "এফআইআৰৰ কোনো বিষয়বস্তু নাই। ইয়াক এনেদৰে প্ৰস্তুত কৰা হৈছে যাতে এইখন খাৰিজ কৰিব পাৰি। অভিযোগ স্পষ্ট হ'ব লাগিব।" আদালতে এফআইআৰত অপৰাধৰ নিৰ্দিষ্ট বিৱৰণৰ অভাৱ বুলি বিবেচনা কৰি আৰক্ষীৰ নিৰপেক্ষ তদন্তৰ ক্ষমতাৰ ওপৰতো আস্থাহীনতা প্ৰকাশ কৰে। উচ্চ ন্যায়ালয়ে কয় যে শ্বাহৰ বিৰুদ্ধে তদন্তৰ নিৰীক্ষণ কৰিব আদালতে। ইফালে, বিজেপি মন্ত্ৰী কোঁৱৰ বিজয় শ্বাহৰ বিৰুদ্ধে আদালতৰ এই কঠোৰ স্থিতিৰ প্ৰভাৱ পৰিছে মধ্যপ্ৰদেশৰ ৰাজনীতিতো। মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱৰ কাৰ্যালয়ে প্ৰকাশ কৰা মতে, উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ পিছতে মুখ্যমন্ত্ৰীয়ে বিজয় শ্বাহৰ মন্তব্য সন্দৰ্ভত ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছে।" উল্লেখ্য যে অপাৰেচন সেন্দুৰৰ সফলতাৰ কথা দোহাৰিবলৈ গৈ ১২ মে'ত ইন্দোৰৰ ৰাইকুণ্ডা গাঁৱত অনুষ্ঠিত এক অনুষ্ঠানত শ্বাহে কৈছিল, "যিসকলে আমাৰ ভগ্নীৰ শিৰৰ সেন্দুৰ মচি পেলাইছে, আমি সিহঁতৰ ভনীয়েকক প্ৰেৰণ কৰি উচিত শিক্ষা দিছো।" কৰ্নেল ছোফিয়া কুৰেশ্বীক উদ্দেশ্যি মন্ত্ৰীজনে কৰা এই মন্তব্যই সূচনা কৰে বিতৰ্কৰ। কংগ্ৰেছে এই মন্তব্যক অপমানজনক আৰু সাম্প্ৰদায়িক বুলি অভিহিত কৰি শ্বাহক অপসাৰণৰ দাবী জনায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'সিঁহতে সেন্দূৰ মচিছিল, আমি ঘা দিছো

-কাশ্মীৰত একপ্ৰকাৰ আতংকৰ সূচনা কৰিছিল পাকিস্তানী সেনাই। সীমান্তৱৰ্তী এলেকাৰ নিৰীহক টাৰ্গেট কৰি লৈ পাকিস্তানী সেনাই সংঘটিত কৰিছিল গোলাবৰ্ষণ। এনে উত্তেজনাৰ পিছত লাহে লাহে পৰিস্থিতি স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিছে জম্মু-কাশ্মীৰত। তাৰ মাজতে আজি শ্ৰীনগৰত উপস্থিত হয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং। সীমান্তৰ পৰিস্থিতি পৰ্যবেক্ষণ কৰাৰ সময়ত তেওঁক সংগ দিয়ে জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহা আৰু মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই। শ্ৰীনগৰস্থিত চিনাৰ ক'ৰ্পছৰ মুখ্য কাৰ্যালয়ত উপস্থিত হৈ প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে সেনা বিষয়া আৰু জোৱানৰ সৈতে সাক্ষাৎ কৰে। পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণ আৰু 'অপাৰেচন সেন্দুৰ'ৰ পিছত এয়া তেওঁৰ প্ৰথম জম্মু-কাশ্মীৰ ভ্ৰমণ। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পঞ্জাৱৰ আদমপুৰ এয়াৰবেছ পৰিদৰ্শন কৰি ভাৰতীয় বায়ুসেনাৰ জোৱানসকলক উৎসাহিত কৰিছিল। এই ভ্ৰমণৰ সময়ত বাদামী বাগ ছাউনীত জোৱানসকলক সম্বোধন কৰি ৰাজনাথ সিঙে কয়, "এই প্ৰত্যাহ্বানমূলক সময়ত আপোনালোকৰ মাজত থাকিবলৈ পাই গৌৰৱ অনুভৱ কৰিছো। প্ৰধানমন্ত্ৰীৰ নেতৃত্বত 'অপাৰেচন সেন্দুৰ'ত আপোনালোকৰ অদম্য সাহসৰ বাবে আজি সমগ্ৰ দেশ গৌৰৱান্বিত। মই প্ৰতিৰক্ষা মন্ত্ৰী হিচাপে নহয়, এজন ভাৰতীয় নাগৰিক হিচাপে কৃতজ্ঞতা প্ৰকাশ কৰিবলৈ আহিছো।" তেওঁ কয়, "আমাৰ সেনা আমাৰ গৌৰৱ। 'অপাৰেচন সেন্দুৰ' হৈছে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ কঠোৰ পদক্ষেপ। ইয়াৰ বাবে পাকিস্তানে উচিত মূল্য দিছে। আমি যিকোনো স্তৰতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজিবলৈ সাজু।" ৰাজনাথ সিঙে আকৌ কয়, "আপোনালোকৰ শক্তি আৰু দৃঢ়তাই শত্ৰুক ধ্বংস কৰি পেলাইছে। সীমান্তৰ সিপাৰে পাকিস্তানী পোষ্ট আৰু বাংকাৰ ধ্বংস কৰাৰ ধৰণ শত্ৰুৱে কেতিয়াও পাহৰিব নোৱাৰে। আপোনালোকে উৎসাহ আৰু বিবেচনাৰে শত্ৰুক ধ্বংস কৰিছে।" তেওঁ স্পষ্ট কৰি দিয়ে যে অপাৰেচন সেন্দুৰ ভাৰতৰ ইতিহাসত সন্ত্ৰাসবাদৰ বিৰুদ্ধে সৰ্ববৃহৎ অভিযান। বিগত ৩৫-৪০ বছৰ ধৰি ভাৰতে সীমান্তৰ সিপাৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দি আহিছে। আজি ভাৰতে বিশ্ববাসীক দেখুৱাইছে যে আমি সন্ত্ৰাসবাদৰ বিৰুদ্ধে যিকোনো পৰিসৰলৈ যাব পাৰো। পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ জৰিয়তে ভাৰতৰ সন্মানত আঘাত কৰাৰ প্ৰয়াস কৰা হৈছিল। তেওঁলোকে আমাৰ কপালৰ সেন্দুৰ মচিছিল, আমি তেওঁলোকৰ বুকুত আঘাত হানিছো। পাকিস্তানৰ এই বুকুৰ ঘা উপশম কৰাৰ এতিয়া একমাত্ৰ উপায় হ'ল ভাৰত বিৰোধী আৰু সন্ত্ৰাসবাদী সংগঠনক আশ্ৰয় দিয়া বন্ধ কৰা।" এই ভ্ৰমণকালত শ্ৰীনগৰ বিমানঘাটিত বায়ুসেনাৰ জোৱানৰ সৈতেও বৈঠকত মিলিত হয় প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে। এই সময়ছোৱাত জোৱানসকলে 'বন্দে মাতৰম' আৰু 'ভাৰত মাতা কি জয়' ধ্বনিৰে উত্তাল কৰি তোলে। উল্লেখ্য যে ২২ এপ্ৰিলত পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ ১৫ দিনৰ পিছত ৭ মে'ত ভাৰতীয় সেনাই 'অপাৰেচন সেন্দুৰ'ৰ জৰিয়তে পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰৰ ৯ টা সন্ত্ৰাসবাদী শিবিৰ ধ্বংস কৰে। ইয়াৰ ফলত কেইবাজনো কুখ্যাত সন্ত্ৰাসবাদী নিহত হয়। তাৰ পিছত দুয়োখন দেশৰ মাজত উত্তেজনা শিখৰত উপনীত হয়। পাকিস্তানে ভাৰতৰ চহৰসমূহত আক্ৰমণৰ চেষ্টা চলায় যদিও ভাৰতৰ বায়ু প্ৰতিৰক্ষা ব্যৱস্থাই এই অপচেষ্টা বিফল কৰে আৰু প্ৰতিশোধ হিচাপে ১৪ টা পাকিস্তানী সামৰিক ঘাটি ধ্বংস কৰে। আতংকিত পাকিস্তানে ১০ মে'ত ভাৰতক যুদ্ধবিৰতিৰ প্ৰস্তাৱ প্ৰদান কৰে আৰু আলোচনাৰ জৰিয়তেও এই প্ৰস্তাৱত সহমত প্ৰদান কৰে। যুদ্ধবিৰতিৰ কেইঘণ্টামানতে পাকিস্তানে পুনৰ গোলাবৰ্ষণ আৰম্ভ কৰাত প্ৰত্যুত্তৰ দিয়ে সেনায়ো।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আকৌ দুভাগ হ'ব পাকিস্তান! বেলুচিস্তানক

ধাৰাবাহিক বিবৃতিযোগে 'বেলুচিস্তান গণৰাজ্য' গঠনৰ কথা ঘোষণা কৰিছিল বিশিষ্ট বেলুচ কৰ্মী তথা সাহিত্যিক মিৰ যাৰ বেলুচে। আনকি তেওঁ ভাৰত চৰকাৰক নতুন দিল্লীত বেলুচ দূতাবাস স্থাপনৰ অনুমতি দিবলৈ আৰু এই গণৰাজ্যক স্বীকৃতি দি মুদ্ৰা আৰু পাছপ'ৰ্ট প্ৰদানৰ বাবে পুঁজিৰ ব্যৱস্থা কৰিবলৈ ৰাষ্ট্ৰসংঘৰ ওচৰতো অনুৰোধ কৰিছিল। যোৱা ৯ মে'ত এক পোষ্টযোগে তেওঁ কৈছিল, "শীঘ্ৰে ঘোষণা হ'ব লাগে, কাৰণ সন্ত্ৰাসবাদী পাকিস্তানৰ পতন সমাগত। আমি ভাৰতক অনুৰোধ কৰিছো যে দিল্লীত বেলুচিস্তান চৰকাৰী কাৰ্যালয় আৰু দূতাবাস স্থাপনৰ বাবে অনুমোদন দিয়ক।" পাকিস্তানৰ সৈতে বেলুচিস্তানৰ এই পূৰ্ণ সংঘাত আৰু এখন স্বাধীন গণৰাজ্যৰ বাবে উত্থাপন হোৱা দাবীৰ মাজতে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মুখতো উত্থাপন হ'ল বেলুচিস্তানৰ প্ৰসংগ। বেলুচিস্তানৰ হিন্দু পৰম্পৰাৰ হৃদপিণ্ডস্বৰূপ হিংলাজ মাতা মন্দিৰৰ কথা উল্লেখ কৰি ভাৰতৰ প্ৰাচীন সাংস্কৃতিক সংযোগ স্থাপন কৰিলে অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে। উল্লেখ্য যে ৫১ খন শক্তি পীঠৰ ভিতৰত অন্যতম এই মন্দিৰ ভাৰতৰ সভ্যতা সংযোগৰ অমৰ সাক্ষী। হিংগোল ৰাষ্ট্ৰীয় উদ্যানৰ দুৰ্গম পাহাৰত অৱস্থিত এই তীৰ্থস্থান শাক্ত ধৰ্মৰ বাবে পবিত্ৰ। বিশ্বাস অনুসৰি, এই পবিত্ৰ স্থানতে পৰিছিল সতী দেৱীৰ মুণ্ড। মুখ্যমন্ত্ৰীয়ে টুইটাৰত লিখিছে, "হিন্দুসকলৰ বাবে বেলুচিস্তান চিৰন্তন ইতিহাস আৰু আধ্যাত্মিকতাৰ প্ৰতীক, কাৰণ ইয়াতে আছে হিংলাজ মাতা মন্দিৰ... যুগ যুগ ধৰি হিন্দু ভক্তসকলে এক কষ্টকৰ মৰুভূমি যাত্ৰাৰ মাজেৰে এই পবিত্ৰ তীৰ্থস্থানত উপনীত হৈ আহিছে।" ধৰ্মীয় গুৰুত্বৰ উপৰি মুখ্যমন্ত্ৰীয়ে হিংলাজ মন্দিৰৰ আন্তঃসাম্প্ৰদায়িক সন্মানৰ দিশটোৰো আলোকপাত কৰে। বিভিন্ন ধৰ্মৰ মাজত পৰম্পৰাগত সংহতিৰ বিৰল প্ৰতীক হিচাপে পৰিচিত এই মন্দিৰ স্থানীয় বেলুচ সম্প্ৰদায়ৰ মাজত 'নানী মন্দিৰ' নামেৰে জনাজাত। শৰ্মাই লিখিছে, "এই মন্দিৰটো কেৱল হিন্দুসকলৰ মাজতে নহয়, বেলুচ লোকসকলৰ মাজতো অতিশয় শ্ৰদ্ধাৰ স্থান। তেওঁলোকে ইয়াক মৰমেৰে 'নানী মন্দিৰ' বুলি কয়। এই মন্দিৰটো এক যুগান্তকাৰী আন্তঃসাম্প্ৰদায়িক পৰম্পৰাৰ প্ৰতিফলন।" লক্ষণীয় যে শেহতীয়া আলোচনা আৰু ভাৰত-পাকিস্তানৰ সাংস্কৃতিক সংযোগৰ প্ৰতি আগ্ৰহৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীৰ এই মন্তব্য তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে। উল্লেখ্য যে আজিও দক্ষিণ এছিয়াৰ বিভিন্ন প্ৰান্তৰ পৰা শতাধিক ভক্তই হিংলাজ যাত্ৰাত অংশগ্ৰহণ কৰে। বেলুচিস্তানক কেন্দ্ৰ কৰি ৰাজনৈতিক জটিলতাৰ মাজতো এই মন্দিৰত শতিকা পুৰণি ভক্তি আৰু পাৰম্পৰিক সন্মানৰ উত্তৰাধিকাৰ অক্ষত আছে। উল্লেখ্য যে পাকিস্তানৰ বৃহত্তম প্ৰদেশ বেলুচিস্তানে ১৯৪৭ চনত কালাট ৰাজ্য হিচাপে স্বাধীনতা ঘোষণা কৰিছিল যদিও ১৯৪৮ চনত পাকিস্তানে বলপূৰ্বকভাৱে নিজৰ অধীনলৈ আনে। তেতিয়াৰ পৰাই জাতীয়তাবাদী গোটসমূহে স্বায়ত্তশাসন বা স্বাধীনতাৰ দাবীত একাধিক বিদ্ৰোহত জড়িত হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অনাধিকাৰ প্ৰৱেশ হোষ্টেলত! বিহাৰত ৰাহুলৰ

ৰাহুল গান্ধী। আম্বেদকাৰ হোষ্টেলত তেওঁৰ প্ৰৱেশত বাধা প্ৰদান কৰা হ'লেও পিছ দুৱাৰেদি তেওঁ প্ৰৱেশ কৰি ছাত্ৰ-ছাত্ৰীক উদ্দ্যেশি ভাষণ প্ৰদান কৰে। উল্লেখ্য যে এই কাৰ্যসূচীৰ লক্ষ্য আছিল যুৱক-যুৱতীসকলৰ মাজত শিক্ষাৰ অধিকাৰ আৰু সামাজিক ন্যায়ৰ বিষয়ে সজাগতা সৃষ্টি কৰা। আজি পাটনাত উপস্থিত হোৱাৰ পিছতে ৰাহুলে এটা ব্যক্তিগত চিনেমা হলত জ্যোতি বাই ফুলেৰ ওপৰত নিৰ্মিত এখন জীৱনীমূলক ছবি উপভোগ কৰে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তেওঁ কয়, "চিনেমাখন অতি ভাল, সকলোৱে চোৱা উচিত। ই প্ৰেৰণাদায়ক আৰু সমাজক চিন্তা কৰিবলৈ বাধ্য কৰে।" ইফালে, তেওঁৰ কাৰ্যসূচীত বাধা প্ৰদান কৰাৰো অভিযোগ উত্থাপন কৰে ৰাহুল গান্ধীয়ে। নেতাগৰাকীৰ উক্ত ভ্ৰমণত ছাত্ৰ-ছাত্ৰীৰ সৈতে তেওঁক পোনপটীয়াকৈ আলোচনা কৰিবলৈ দিয়া নহ'লেও বেলেগ ধৰণেৰে কাৰ্যসিদ্ধি কৰা বুলিও মন্তব্য কৰে ৰাহুলে। তেওঁৰ ভাষাত, "মই জাতি জনগণনাৰ বিষয়ে কথা কৈছো, চৰকাৰে মোক হোষ্টেলত প্ৰৱেশ কৰিবলৈ নিদিলে, হয়তো তাৰ পৰিস্থিতি বহু বেয়া। মোৰ বিৰুদ্ধে ৩০-৩২ টা গোচৰ আছে, এইবোৰ মোৰ পদক।" উল্লেখ্য যে দাৰভাঙাত ৰাহুল গান্ধীৰ কনভয়ক হোষ্টেলত প্ৰৱেশ কৰাত বাধা দিয়াৰ লগে লগে উত্তেজনাৰ সৃষ্টি হয়। আৰক্ষীয়ে তেওঁক বাধা দিবলৈ চেষ্টা কৰে। ৰাহুলে কয়, "বিহাৰ আৰক্ষীয়ে চেষ্টা কৰিলেও মোক বাধা দিব নোৱাৰিলে। কাৰণ ছাত্ৰ শক্তি মোৰ সৈতে আছে। আমি প্ৰধানমন্ত্ৰীক জাতি জনগণনাৰ কথা কৈছিলো আৰু আমাৰ হেঁচাত এতিয়া তেওঁ সেয়া কৰাৰ ঘোষণা কৰিছে।" ৰাহুল গান্ধীয়ে বিজেপি চৰকাৰক আক্ৰমণ কৰি কয়, "এই চৰকাৰ জনসাধাৰণৰ নহয়, এইখন হৈছে আদানী-আম্বানীৰ চৰকাৰ। সংবিধানৰ নাম ল'লেও বাস্তৱত তেওঁলোকে গণতন্ত্ৰ আৰু সংখ্যালঘুৰ বিৰুদ্ধে কাম কৰি আছে।" তেওঁ আৰু প্ৰতিশ্ৰুতি দিয়ে, "যিদিনা বিহাৰ আৰু দিল্লীত আমাৰ চৰকাৰ গঠন হ'ব, সেইদিনা আপোনালোকৰ সকলো দাবী পূৰণ হ'ব।" আনহাতে, দৰভাঙা জিলা প্ৰশাসনে ৰাহুল গান্ধীয়ে চিআৰপিচিৰ ১৬৩ ধাৰা উলংঘা কৰা বুলি অভিযোগ কৰি তেওঁৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ বাবে সাজু হৈছে। কংগ্ৰেছে অভিযোগ কৰিছে যে এয়া গণতান্ত্ৰিক অধিকাৰ কাঢ়ি নিয়াৰ প্ৰয়াস। এন ডি এ পক্ষই কয় যে বিহাৰত নিষেধাজ্ঞা নাই, ৰাহুলে ৰাজনৈতিক নাটক কৰি আছে। আগন্তুক বিহাৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি কংগ্ৰেছৰ বাবে এই ভ্ৰমণ অতি গুৰুত্বপূৰ্ণ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ম্যানমাৰ সীমান্তত ১০ বিদ্ৰোহী নিহত

সফলতা লাভ কৰিবলৈ সক্ষম হ'ল অসম ৰাইফলছ বাহিনী। মণিপুৰৰ চান্দেল জিলাত গোপন সূত্ৰৰ ভিত্তিত অসম ৰাইফলছে চলোৱা অভিযানৰ সময়ত নিহত হয় কমেও ১০ জন উগ্ৰপন্থী। ভাৰত-ম্যানমাৰ সীমান্তৰ সমীপৰ নিউ সামতাল গাঁৱত সংঘটিত হয় এই তীব্ৰ সংঘৰ্ষ। ভাৰতীয় সেনাৰ ইষ্টাৰ্ন কমাণ্ডে জনোৱা মতে, নিৰ্দিষ্ট চোৰাংচোৱা তথ্যৰ ভিত্তিত স্পিয়াৰ ক'ৰ্পছৰ অধীনস্থ আছাম ৰাইফলছৰ এটা ইউনিটে ১৪ মে'ত এই অভিযান আৰম্ভ কৰে। ইষ্টাৰ্ন কমাণ্ডে এক্স হেণ্ডেলযোগে অভিযানৰ সবিশেষ প্ৰদান কৰি কয়, "অসম ৰাইফলছ ইউনিটে চান্দেল জিলাৰ খেংজয় তেহছিলৰ নিউ সামতাল গাঁৱৰ সমীপত সশস্ত্ৰ উগ্ৰপন্থীৰ গতিবিধিৰ গোপন খবৰ লাভ কৰাৰ পিছতে এই অভিযান আৰম্ভ কৰে।" সেনাই জনোৱা মতে, অভিযানৰ সময়ত সন্দেহযুক্ত উগ্ৰপন্থীয়ে অভিযানকাৰীলৈ লক্ষ্য কৰি প্ৰচণ্ড গুলীবৰ্ষণ আৰম্ভ কৰাত প্ৰত্যুত্তৰত নিৰাপত্তা বাহিনীয়েও গুলীচালনা কৰে। সেনাৰ বিবৃতি অনুসৰি, এই সংঘৰ্ষত কমেও ১০ জন উগ্ৰপন্থী কেডাৰ নিহত হোৱাৰ লগতে যথেষ্ট পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ আৰু গোলা-বাৰুদ উদ্ধাৰ কৰা হয়। অৱশ্যে, নিহত উগ্ৰপন্থীসকলৰ পৰিচয় এতিয়াও প্ৰকাশ কৰা নাই নিৰাপত্তা বাহিনীয়ে। মণিপুৰৰ ভাৰত-ম্যানমাৰ সীমান্তত বৃদ্ধি পোৱা উগ্ৰপন্থী কাৰ্য প্ৰতিৰোধৰ বাবে নিৰাপত্তা বাহিনীয়ে চলাই থকা প্ৰচেষ্টাৰ অংশ হিচাপে এই অভিযান চলাইছিল অসম ৰাইফলছে। ১০ মে'তো যৌথ অভিযানত ১৩ জন উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰা হৈছিল।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আকৌ মিত্ৰতাৰ ফালে ঢাল খাইছে অখিল

আৰম্ভ কৰিছে। ব্যক্তিবিশেষ তথা কিছু সংগঠনে অখিল গগৈৰ স্থিতিক তীব্ৰ সমালোচনা কৰি আহিছে বিৰোধী ঐক্য গঢ়ি নুঠাত অখিল গগৈৰ চালে-বেৰে কোবোৱা কথা-বতৰাক জগৰীয়া কৰিছে। এদিন পূৰ্বে বীৰ লাচিত সেনাৰ নেতা শৃংখল চলিহাই তীব্ৰ আক্ৰমণ কৰিছিল অখিল গগৈক। অখিল গগৈৰ বিৰুদ্ধে গড্ডাৰী কৰাৰ অভিযোগ আনি শৃংখল চলিহাই কয় যে উজনি অসমক কোনো কাৰণত বাংলাদেশ কৰিব নিদিওঁ আৰু অসমত এজন ছদ্মবেশী আজমল ওলাইছে বুলি কৈছিল। আজি শৃংখলৰ চলিহাক আদৰেৰে উত্তৰ প্ৰদান কৰে অখিল গগৈয়ে। আজি শিৱসাগৰত সংবাদমেল সম্বোধন কৰি অখিল গগৈয়ে শৃংখলক মোৰ ভাই আখ্যা দি শৃংখলৰ যদি অলপ শৃংখল জীৱনত আহিব লাগে তেতিয়াহ'লে এটা পাৰ্টিত জইন কৰক। যদি লুৰীণৰ লগত লগ লাগি যাব পাৰে তেতিয়া খুব সুখী হ'ম। লুৰীণজ্যোতিৰ পাৰ্টিৰ পৰা যদি মোৰ বিৰুদ্ধেও ইলেকচনত উঠে তেতিয়াও মই তেওঁক আদৰণি জনাওঁ। শিৱসাগৰত যদি লুৰীণ গগৈৰ দলৰ পৰা খেলে মই ২ লাখ টকা দি সহায় কৰিম বুলি কয় অখিল গগৈয়ে। ইপিনে আজিও কংগ্ৰেছক সমালোচনা কৰিবলৈ নেৰিলে অখিল গগৈয়ে। অখিল গগৈয়ে কয় যে একতা অবিহনে ২০২৬ত বিজেপিক পৰাস্ত কৰিব নোৱাৰি। কংগ্ৰেছৰ ভিতৰুৱা সংঘাতৰ বাবে ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনত শাসক দল বিজেপিক পৰাস্ত কৰাত অন্যতম বাধা হ'ব বুলি কয়। বিৰোধী দলসমূহৰ ঐক্যৰ প্ৰয়োজনীয়তাৰ কথা প্ৰকাশ কৰে আৰু কংগ্ৰেছৰ সৈতে মিত্ৰতা কৰাটো অনিবাৰ্য বুলি মন্তব্য কৰে আখিল গগৈয়ে। কংগ্ৰেছ সাংসদ গৌৰৱ গগৈ আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈৰ সৈতে বৈঠকৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ৩-জি, ৪-জি ৰাজনীতি বুলি প্ৰচাৰৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি অখিল গগৈয়ে কয় যে আমাৰ বাবে ৩-জি, ৪-জি ৰাজনীতি মানে কি বুজা কঠিন। মুখ্যমন্ত্ৰীয়ে কি ৰাজনৈতিক পৰিকল্পনা কৰিছে, মই নাজানো। মানুহে মোক ভালপায়, সেইবাবে মোক মানুহৰ পৰা পৃথক কৰিব পৰা নাই। আখিল গগৈয়ে পঞ্চায়ত নিৰ্বাচনৰ সময়ত ছিৰিয়াছলি নোলোৱাৰ কথা পুনৰ স্বীকাৰ কৰি কয় যে মই পঞ্চায়ত নিৰ্বাচন গম্ভীৰভাৱে লোৱা নাছিলো বুলি কয়। লগতে কংগ্ৰেছৰ ভিতৰৰ সংঘাতে মিত্ৰতা নোহোৱাৰ মূল কাৰণ আখ্যা দি কয় যে ভূপেন কুমাৰ বৰাই উপ-নিৰ্বাচনত মিত্ৰতাৰ কথা কৈছিল, গৌৰৱ গগৈয়ে মিত্ৰতা কৰিব খোজা নাছিল। কংগ্ৰেছে জানে ৰাইজৰ দল নোহোৱাকৈ তেওঁলোকে নিৰ্বাচন জিকিব নোৱাৰে আৰু আমিও জানো কংগ্ৰেছৰ সহায় নোহোৱাকৈ আমিও জিকিব নোৱাৰো। কংগ্ৰেছৰ ভিতৰত বাধা সৃষ্টি কৰা কিছু উপাদান আছে, এই উপাদানে মিত্ৰতা হ'ব নিদিয়ে। এইবাৰ ৰাইজৰ দল চুপ থাকিব নোৱাৰে। ৩০ মে'লৈ কংগ্ৰেছক সময় দিয়া হৈছিল বুলি উল্লেখ কৰি কয় অখিলে পুনৰ কয় যে সময় অলপ পাৰ যাব পাৰে, কিন্তু মিত্ৰতা হ'ব। আখিল গগৈয়ে গুৰুতৰ অভিযোগ উত্থাপন কৰি কংগ্ৰেছৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰ আদিয়ে মুখ্যমন্ত্ৰীৰ সৈতে আছে বুলি কয়। কোনজন বিধায়ক চৰকাৰৰ সৈতে আছে, সেয়া দেখা গৈছে বুলি উল্লেখ কৰি জাতীয়তাবাদৰ কথা মুখত কৈ কানোবাই দালালি কৰিছে। এনে বহু লোক আছে। সংখ্যালঘু ৰাজনীতিৰ প্ৰসংগত গগৈয়ে কয় যে আমি সংখ্যালঘুক মূলসুঁতিলৈ অনাৰ চেষ্টা কৰাটো ৰাষ্ট্ৰদ্ৰোহী হ'ব নেকি? সংখ্যালঘু ইউডিএফৰ লগত থাকিব লাগে নেকি প্ৰশ্ন কৰে?

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাৰত-মাৰ্কিন বাণিজ্যক লৈ বিষাক্ত খেল

মাৰ্কিন ৰাষ্ট্ৰপতি ট্ৰাম্প। কিছুদিন পূৰ্বে বাণিজ্যিক চুক্তিৰ দোহাই দি ভাৰত-পাকিস্তানৰ মাজত যুদ্ধবিৰতি কৰোৱা বুলি কৃতিত্বৰ দৌৰ লগাইছিল ট্ৰাম্পে। আৰু তাৰ পিছতে এইবাৰ ভাৰতত কাৰখানা নিৰ্মাণ নকৰিবলৈ এপলৰ চিইঅ' টিম কুকক 'নিৰ্দেশ' দিয়াৰ কথা জনালে ড'নাল্ড ট্ৰাম্পে। কাটাৰত সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত ট্ৰাম্পে কয়, "মই টিম কুকক ভাৰতত কাৰখানা স্থাপন নকৰিবলৈ কৈছো। ভাৰতে নিজৰ খেয়াল ৰাখিব পাৰে।" লক্ষণীয় যে ভাৰত-পাকিস্তানৰ সংঘাতত বিৰাম লগোৱাত মধ্যস্থতাকাৰীৰ ভূমিকা লোৱা বুলি ট্ৰাম্পে কৰি অহা দাবীৰ মাজতে তেওঁৰ এই মন্তব্যই পুনৰ এবাৰ খলকনি তুলিছে সমগ্ৰ ভাৰতত। একে সময়তে প্ৰধানমন্ত্ৰী মোদীৰ ঘনিষ্ঠ বন্ধু বুলি কৈ অহা ড'নাল্ড ট্ৰাম্পৰ এই কাণ্ডই ভাৰতৰ গ্ল'বেল টেক হাব হোৱাৰ সপোনত হানিছে এক মোক্ষম আঘাত। বৰ্তমান কাটাৰত ৰাজ্যিক ভ্ৰমণত আছে ড'নাল্ড ট্ৰাম্প। সেই সময়তে টিম কুকৰ সৈতে আলোচনাত মিলিত হয় তেওঁ। ট্ৰাম্পে অভিযোগ কৰে যে কুকে ভাৰতৰ বিভিন্ন প্ৰান্তত কাৰখানা নিৰ্মাণ কৰি আছে, যিটো তেওঁ একেবাৰেই ভাল পোৱা নাই। তেওঁ কয় যে এপলে আমেৰিকাত বিনিয়োগ বৃদ্ধি আৰু উৎপাদন বৃদ্ধিৰ ওপৰত গুৰুত্ব দিব লাগে। আনহাতে ভাৰতৰ বিৰুদ্ধে ক্ষোভ উজাৰি ট্ৰাম্পে কয় যে ভাৰতে বিশ্বৰ অন্যতম উচ্চ শুল্ক দেৱাল নিৰ্মাণ কৰিছে। ভাৰতত আমেৰিকাৰ সামগ্ৰী বিক্ৰী কৰাটো কঠিন। অৱশ্যে ভাৰত চৰকাৰে আমেৰিকাক প্ৰদান কৰা 'নো টেৰিফ ডিল'ৰ প্ৰস্তাৱৰ কথা ট্ৰাম্পে স্বীকাৰ কৰে যদিও তেওঁ ক যে ভাৰতে প্ৰকৃততে আমদানি কৰ ব্যৱস্থা শিথিল নকৰালৈকে এয়া যথেষ্ট নহয়। বিশেষজ্ঞসকলৰ মতে, এই পৰিস্থিতি ভাৰতৰ প্ৰযুক্তি উৎপাদন খণ্ডৰ বাবে এক বৃহৎ বিপৰ্যয় হ'ব পাৰে। বৰ্তমান চৰকাৰৰ 'মেক ইন ইণ্ডিয়া' অভিযানত এপলৰ দৰে কোম্পানীৰ বিনিয়োগে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ইতিমধ্যে ফক্সকন আৰু টাটা ইলেক্ট্ৰনিকছৰ সহযোগত এপলে দক্ষিণ ভাৰতত একাধিক কাৰখানা মুকলি কৰিছে। ভাৰতত এপলৰ উৎপাদন বিগত ১২ মাহত ৬০ শতাংশ বৃদ্ধি পাইছে আৰু যাৰ মূল্য হৈছে ২২ বিলিয়ন ডলাৰ। এনে সময়ত ট্ৰাম্পৰ এই বাৰ্তাই ভাৰতৰ  আন্তঃৰাষ্ট্ৰীয় প্ৰযুক্তিৰ কেন্দ্ৰ হোৱাৰ পথ বিপন্ন কৰাৰ আশংকা কৰিছে অনেকে। যদিও ভাৰত চৰকাৰে এই বিষয়ত আনুষ্ঠানিকভাৱে কোনো সঁহাৰি দিয়া নাই, তথাপি কূটনৈতিক মহলত এই মন্তব্য তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে। একে সময়তে ট্ৰাম্পে পুনৰ দাবী কৰে যে তেৱেঁই ভাৰত আৰু পাকিস্তানৰ যুদ্ধত বিৰাম লগাইছিল। ছৌদি-আমেৰিকান বিনিয়োগ সন্মিলনত তেওঁ কয় যে মই বাণিজ্য ব্যৱহাৰ কৰিছিলো। তেওঁ কয়, "মই কৈছিলো যে 'পাৰমাণৱিক অস্ত্ৰ নহয়, বাণিজ্যিক চুক্তি হওঁ আহক, সুন্দৰ সম্পদৰ বিনিময় কৰোঁ।' কিন্তু ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এই দাবী সম্পূৰ্ণৰূপে খণ্ডন কৰিছে। মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে স্পষ্টভাৱে কয়, "৭ মে'ৰ পৰা আৰম্ভ হোৱা অপাৰেশ্যন সেন্দুৰৰ সময়ত আৰু তাৰ পিছত কোনো আলোচনাতে 'বাণিজ্য' শব্দটো অহা নাছিল। ভাৰত আৰু আমেৰিকাৰ মাজত কেৱল সামৰিক পৰিস্থিতিৰ বিষয়েহে আলোচনা কৰা হৈছিল।" এই বিবাদৰ পৰিপ্ৰেক্ষিতত আকৌ এবাৰ স্পষ্ট হৈ পৰিছে যে ব্যক্তিগত মতাদৰ্শৰ ওপৰত ভিত্তি কৰি আন্তঃৰাষ্ট্ৰীয় বাণিজ্য আৰু কূটনীতিৰ ওপৰত ট্ৰাম্পৰ বাৰ্তাই দুয়োখন দেশৰ সম্পৰ্কত প্ৰভাৱ পেলোৱাই নহয়, ভাৰতৰ ঘৰুৱা উদ্যোগ নীতিৰ ওপৰতো প্ৰভাৱ পেলাইছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এনএছএৰ ধাৰাত আমিনুলক আকৌ

এআইইউডিএফৰ নেতা আমিনুল ইছলামৰ বিপদ পুনৰ বাঢ়িছে। কিয়নো ৰাজ্য চৰকাৰে আমিনুল ইছলামৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত গোচৰ ৰুজু কৰিছে। ৰাষ্ট্ৰীয় নিৰাপত্তা আইন, ১৯৮০ ৰ ধাৰা ৩(২) ৰ অধীনত গোচৰ ৰুজু কৰা হৈছে। গোচৰ ৰুজু কৰাই নহয় নগাঁও জিলা আয়ুক্তৰ নিৰ্দেশত আমিনুল ইছলামক কাৰাগাৰৰ ভিতৰতে পুনৰ গ্ৰেপ্তাৰ কৰিছে। ২৩ এপ্ৰিলত পেহেলগাম কাণ্ডৰ পিছতে বিতৰ্কিত মন্তব্য কৰাৰ পিছতেই ২৪ এপ্ৰিলত আমিনুল ইছলামক গ্ৰেপ্তাৰ কৰিছিল নগাঁও আৰক্ষীয়ে। আমিনুল ইছলামৰ অধিবক্তাই জামিন আবেদন কৰাত বুধবাৰে আদালতে জামিন মঞ্জুৰ কৰিছিল। জামিন মঞ্জুৰৰ পিছতে পুনৰ ৰাষ্ট্ৰীয় সুৰক্ষা আইনৰ অধীনত গ্ৰেপ্তাৰ কৰা হয়। জানিব পৰা মতে, ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত আমিনুল ইছলামৰ বিৰুদ্ধে তদন্ত আৰম্ভ কৰিব ৰাজ্য চৰকাৰে। আমিনুল ইছলামে দিয়া মন্তব্য দেশদ্ৰোহৰ ধাৰাৰ অধীনত তদন্ত কৰা হ'ব। মন্তব্যৰ আঁৰত উদ্দেশ্য কি আছিল সেয়া তদন্তৰ আওতালৈ আনিব তদন্তকাৰীসকলে। ৰাজহুৱা শান্তি-শৃংখলা বিঘ্নিত হোৱাৰ সম্ভাৱনা থকাত নগাঁও জিলা দণ্ডাধীশে বিধায়কজনক ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত পুনৰ গ্ৰেপ্তাৰ কৰাৰ নিৰ্দেশনা জাৰি কৰিছে। আমিনুল ইছলামে পেহেলগামৰ নৰসংহাৰৰ পিছতে পঞ্চায়ত নিৰ্বাচনৰ এক প্ৰচাৰ সভাত উচটনিমূলক ভাষণ প্ৰদান কৰিছিল। সেই সন্দৰ্ভত এটা ভিডিঅ' ভাইৰেল হৈছিল। পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক চৰকাৰী ষড়যন্ত্ৰ বুলি দাবী কৰিছিল। বিধায়ক আমিনুল কৈছিল যে পেহেলগামৰ কোনো লোকক নাম সুধি গুলী কৰা নাছিল সন্ত্ৰাসবাদীয়ে। আন্ধাৰৰ সুযোগ লৈহে গুলীচালনা কৰিছিল। মোৰ সন্দেহ কাশ্মীৰত বাৰে বাৰে এনে কাণ্ড ঘটাই হিন্দু-মুছলমানৰ মাজত দেশত বিভাজন সৃষ্টি কৰাৰ ষড়যন্ত্ৰ কেন্দ্ৰীয় চৰকাৰৰ। মই ইয়াৰ নিৰপেক্ষ তদন্ত দাবী কৰিছো।

সাম্প্ৰদায়িক অস্থিৰতা সৃষ্টি কৰা আৰু ৰাষ্ট্ৰীয় নিৰাপত্তাৰ প্ৰতি হানি কৰা এনে কাৰ্যকলাপ কোনোপধ্যে সহ্য কৰা নহ'ব বুলি কয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে নগাঁৱৰ জিলা আয়ুক্ত তথা জিলা দণ্ডাধীশে ধিঙৰ বিধায়ক আমিনুল ইছলামক ৰাষ্ট্ৰীয় নিৰাপত্তা আইন, ১৯৮০ ৰ ধাৰা ৩(২) ৰ অধীনত আটক কৰিছে। এই সিদ্ধান্ত নগাঁও আৰক্ষী অধীক্ষকৰ পৰা অহা এক প্ৰতিবেদনৰ ভিত্তিত গ্ৰহণ কৰা হয়। বিগত পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত বিধায়কজনে দিয়া প্ৰৰোচনামূলক ৰাজহুৱা ভাষণ আৰু ভিডিঅ' প্ৰচাৰ কৰাৰ এক অভিযোগ উত্থাপন কৰা হৈছিল, য'ত তেওঁ পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণত ভাৰত চৰকাৰ জড়িত থকা বুলি এক ভিত্তিহীন দাবী উত্থাপন কৰিছিল।

# বিশিষ্ট শিক্ষাবিদ-সমাজকৰ্মী ড০ বুলু তাঁতী আৰু নাই, ডুমডুমা-মাৰ্ঘেৰিটাত শোকৰ ছাঁ

**ই-সংবাদ ব্যুৰ, তিনিচুকীয়া, ১৫ মে':** তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমাৰ সমীপৰ ৰূপাই তপোবন নিবাসী, বিশিষ্ট শিক্ষাবিদ তথা মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক, বিশিষ্ট সমাজকৰ্মী ড০ বুলু তাঁতী (৭০) ৰ যোৱা নিশা নিজ বাসভৱনত পৰলোকপ্ৰাপ্তি ঘটে। বিগত বহুদিন ধৰি এক জটিল ৰোগত আক্ৰান্ত হৈ শয্যাগত হৈ থকা বিশিষ্ট শিক্ষাবিদগৰাকীয়ে মৃত্যুৰ সময়ত শিক্ষয়িত্ৰী পত্নী (অৱসৰপ্ৰাপ্ত) মাৰাথা কুজুৰ, এজন পুত্ৰ, দুগৰাকী কন্যাসহ বহু আত্মীয়ক ইহসংসাৰত এৰি যায়।

শিক্ষাবিদগৰাকীৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে ডুমডুমা সমজিলাৰ লগতে তেখেতৰ কৰ্মস্থলী মাৰ্ঘেৰিটাতো গভীৰ শোকৰ ছাঁ পৰে। ডুমডুমাৰ নিলগৰ দীঘলটৰং চাহ বাগিচাত জন্মগ্ৰহণ কৰা বুলু তাঁতীয়ে বাগিচাৰ প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰি পৰৱৰ্তী সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইতিহাস বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰি মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ প্ৰবক্তা হিচাপে যোগদান কৰিছিল। ২০১৫ চনত মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ পৰাই সহযোগী অধ্যাপক হিচাপে অৱসৰ গ্ৰহণ কৰা ড০ বুলু তাঁতীয়ে মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনা (এন এছ এছ) গোটৰ যোজনা বিষয়া হিচাপে দীৰ্ঘদিন সেৱা আগবঢ়োৱাৰ লগতে নি:স্বাৰ্থ সমাজসেৱাৰ মনোভাৱেৰে বিভিন্ন শিবিৰৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলক আগবঢ়াই নিছিল। এসময়ত অসম চাহ জনজাতি ছাত্ৰ সন্থা, চমুকৈ 'আটছা'ক সন্মুখৰ পৰা নেতৃত্ব দিয়া বুলু তাঁতীয়ে পিছলৈ সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ উপদেষ্টাৰ পদতো অধিষ্ঠিত হৈছিল। অসম উড়িয়া মহাসভাৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য উপদেষ্টা হিচাপেও কাৰ্যনিৰ্বাহ ড০ বুলু তাঁতীয়ে উড়িয়া সাহিত্যৰ কেইবাখনো গ্ৰন্থ অসমীয়ালৈ অনুবাদ কৰিছিল। চাহ বাগিচাৰ লাইনৰ পৰা ওলোৱা প্ৰথমগৰাকী ডক্টৰেট ডিগ্ৰীধাৰী বুলু তাঁতীৰ গৱেষণাৰ বিষয় আছিল "Social Folk-Customs of the Oriya Origin People of the Tea Gardens of Assam" , যি চাহ জনগোষ্ঠীয় উড়িয়া সমাজৰ ইতিবৃত্তি আৰু পৰম্পৰা আদি ৰক্ষাৰ এক প্ৰধান সম্বলস্বৰূপ। শেহতীয়াকৈ তেওঁৰ "অসমৰ চাহ জনগোষ্ঠীয় উড়িয়া সমাজৰ ইতিবৃত্তি আৰু পৰম্পৰা" শীৰ্ষক গ্ৰন্থ এখনো অসমীয়া ভাষাত প্ৰকাশ হৈছে। ডুমডুমাৰ সমীপৰ দৈমুখীয়া চাহ বাগিচাস্থিত কস্তুৰবা গান্ধী উন্নয়ন কেন্দ্ৰৰ প্ৰাক্তন সভাপতি ড০ বুলু তাঁতীয়ে ৰূপাই উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি হিচাপেও দক্ষতাৰে কাৰ্য্যনিৰ্বাহ কৰিছিল। গান্ধীবাদী ব্যক্তি, বিশিষ্ট শিক্ষাবিদগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া আজি দুপৰীয়া অসংখ্য গুণমুগ্ধৰ উপস্থিতিত বিচাকুপিস্থ ৰূপাই ৰাজহুৱা শ্মশানঘাটত এক শোকাকুল পৰিৱেশত সমাপন কৰা হয়। ড০ বুলু তাঁতীৰ বিয়োগত ওড়িয়া মহাসভাৰ প্ৰতিষ্ঠাপক তুলসী দাস সোনা, তিনিচুকীয়া জিলা সমিতিৰ সভাপতি দীপক তাঁতী, ডুমডুমা প্ৰেছ ক্লাব, ৮২ নং ডুমডুমা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগ (কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা) ৰ মন্ত্ৰী ৰূপেশ গোৱালা, ডুমডুমা সমষ্টিৰ প্ৰাক্তন বিধায়কদ্বয় দুৰ্গা ভূমিজ, দিলীপ মৰাণ, অসম জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক জগদীশ ভূঞা, তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱা, ডুমডুমা মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি প্ৰকাশ দত্ত, অধ্যক্ষ ড০ কমলেশ্বৰ কলিতা, ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ডাঃ প্ৰণৱজ্যোতি ডেকা, অধ্যক্ষ ড০ অমৰজিৎ শইকীয়া, ৰূপাই উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি মনোজ দত্ত, ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰদীপ কুমাৰ বৰা, ডুমডুমা বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সমিতিৰ সভাপতি অভিজিৎ খাটনিয়াৰ, ডুমডুমা হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ অলিপ খান, তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক ৰাণাজ্যোতি নেওগ, আসাম প্ৰেছ কৰেছপণ্ডেনচ ইউনিয়ন, চমুকৈ 'আপকু'ৰ তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক দ্বীপেন লহকৰ, জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আছাম, চমুকৈ 'জুৱা'ৰ ৰাজ্যিক উপ-সভাপতি ৰূপম কাকতি, তিনিচুকীয়া জিলা সমিতিৰ সভাপতি অখিল চন্দ্ৰ বৰুৱা, ছৈখোৱা প্ৰেছ ক্লাবৰ সভাপতি শান্তনু গোস্বামী, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সহঃ সাধাৰণ সম্পাদক সুৰজিৎ মৰাণ, তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক কল্যাণজ্যোতি মৰাণ, সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা বিতু ডেকা, টংকেশ্বৰ শইকীয়া, সভাপতি প্ৰতিম নেওগ, ডুমডুমা চিনিয়ৰ ছেকেণ্ডাৰী স্কুল, ডুমডুমা নামঘৰ, ডুমডুমা অসমীয়া পূজা আৰু নাট্য মন্দিৰ, ডুমডুমা জ্যেষ্ঠ নাগৰিক সংস্থা, ডুমডুমা শতদল শাখা সাহিত্য সভা, ৰূপাই শতদল শাখা সাহিত্য সভা, 'আটছা'ৰ ডুমডুমা আঞ্চলিক, 'আছা'ৰ ডুমডুমা শাখাৰ উপৰি বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে। ডুমডুমাৰ বিধায়ক তথা কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাই ড০ বুলু তাঁতীৰ বিয়োগ অসমৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি অভিহিত কৰিছে। বিশিষ্ট শিক্ষাবিদ-সমাজকৰ্মী ড০ বুলু তাঁতীৰ বিয়োগত ৰূপাই উচ্চ মাধ্যমিক বিদ্যালয়ে আজি এক শোক সভাও অনুষ্ঠিত কৰে।

# বিষ্ণুপুৰত ভয়াৱহ পথ দুৰ্ঘটনা, আহত এক

**ই-সংবাদ, দুনী, ১৫ মে':** দৰঙৰ বুঢ়া আৰক্ষী চকীৰ অন্তৰ্গত বিষ্ণুপুৰত আজি সংঘটিত হয় এক ভয়াৱহ পথ দুৰ্ঘটনা। দুৰ্ঘটনাত এজন পথচাৰী গুৰুতৰভাৱে আহত হয়। জানিব পৰা মতে দিনৰ প্ৰায় তিনি বজাত শালমাৰা-আন্ধেৰীঘাট গড়কাপ্তানী পথৰ বিষ্ণুপুৰত সংঘটিত হয় এই দুৰ্ঘটনা। এ এছ-০১ ই কে-৪৬০৫ নম্বৰৰ মটৰ চাইকেলখনে তীব্ৰ বেগত আহি পথচাৰী বিষ্ণুপুৰৰে পেলনীয়া প্লাষ্টিক বিচাৰি জীৱন নিৰ্বাহ কৰা মোশ্ৰাফ আলী (৫৬) ক প্ৰচণ্ড খুন্দা মাৰে। যাৰ ফলত মোশ্ৰাফ আলীৰ বাঁওভৰিখন প্ৰায় ছিঙি যায়। তদুপৰি মূৰ, বুকুত গুৰুতৰভাৱে আহত হৈ সংকটজনক অৱস্থাত ১০৮ বাহনেৰে চিকিৎসালয়লৈ লৈ যোৱা হয়। অতি দৰিদ্ৰ পৰিয়ালৰ একমাত্ৰ জীৱিকাৰ সম্বল মোশ্ৰাফ আলী। ইপিনে বাইক আৰোহী যুৱক ৰাতুল আলী (১৬) আঘাটপ্ৰাপ্ত হৈ চিকিৎসাধীন হ'বলগীয়া হয়। ইতিমধ্যে মটৰ চাইকেলখন বুঢ়া আৰক্ষীয়ে জব্দ কৰিছে। উল্লেখ্য যে সমগ্ৰ পশ্চিম দৰঙত উদণ্ড মটৰ চাইকেল চলোৱা কিশোৰ-যুৱকে সন্ত্ৰাসৰ সৃষ্টি কৰি অহাৰ অভিযোগ প্ৰায়ে উত্থাপন হৈ আহিছে।



**মিছন BTR - ২০২৫ সন্দৰ্ভত বিজেপিৰ কৰ্ণধাৰ সমিতিৰ প্ৰথমখন বৈঠক**

# গোলকগঞ্জত পুৰাতে আহিল পাকিস্তানৰ ফোন

**ই-সংবাদ, গোলকগঞ্জ, ১৫ মে':** ভাৰতে পাকিস্তানক অস্ত্ৰৰে উচিত প্ৰত্যুত্তৰ দিয়াত ভয়তে আমেৰিকাৰ দ্বাৰা মধ্যস্থতা কৰি ছীজ ফায়াৰ কৰে যদিও চিৰশত্ৰু পাকিস্তান নিজৰ আচল চৰিত্ৰ এৰি দিয়া নাই। সামৰিক যুদ্ধ এৰি এতিয়া ছায়া যুদ্ধত মনোনিবেশ কৰিছে। কালি পুৱা গোলকগঞ্জ থানাৰ সমীপৰ এটি পৰিয়ালৰ মোবাইলত পাকিস্তানৰ পৰা বাৰে বাৰে ফোনকল অহা ঘটনাক লৈ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে গোলকগঞ্জৰ বিশিষ্ট ব্যৱসায়ী শংকৰ চন্দৰ পত্নী প্ৰীতি চন্দৰ মোবাইলত পুৱা পাঁচ বজাত এটা ফোনকল আহে। জানিব পৰা মতে চিলমিল টোপনিত ফোন কলটো ৰিচিভ কৰে যদিও সিফালৰ পৰা কোনো উত্তৰ নাহে। কিছু সময় পিছত পুনৰ অহা ফোনকল ৰিচিভ কৰাতো সিফালৰ পৰা কোনো মাত নাহে। উপায়ান্তৰ হৈ মোবাইলটো ছাইলেণ্ট কৰি শুই থাকে। পিছত টোপনিৰ পৰা উঠি মোবাইলত ফোন নম্বৰ দেখি চক খাই উঠে। কাৰণ নম্বৰৰ আৰম্ভণি +92 ৰে অৰ্থাৎ পাকিস্তানৰ। সম্পূৰ্ণ নম্বৰটো +923138098094। ফোনকলটো পাকিস্তানৰ পৰা অহা বুলি নিশ্চিত হোৱাত পৰিয়ালৰ লোক যথেষ্ট চিন্তিত হৈ পৰে। কাৰণ পাঁচবাৰকৈ ফোন আহিছিল। উপায়ন্তৰ হৈ পৰিয়ালৰ লোকে গোলকগঞ্জ থানাত এই সন্দৰ্ভত লিখিতভাৱে অৱগত কৰে।

# ৰৌতা আৰক্ষীৰ জালত দুই চোৰ

**ই-সংবাদ, ওদালগুৰি, ১৫ মে':** আজি ওদালগুৰি জিলাৰ ৰৌতা আৰক্ষীৰ অভিযানত গ্ৰেপ্তাৰ হয় দুই চোৰ। গ্ৰেপ্তাৰ হোৱা চোৰ দুটা ক্ৰমে ৰৌতাৰ আমিনপাৰা গাঁৱৰ ছাইদুৰ ৰহমান আৰু ৩ নং বৰুৱাঝাৰ গাৱৰ আব্দুৰ ৰহমান। কিছুদিন পূৰ্বে ৰৌতাত একেদিনাই চাৰিটা বাসগৃহত সংঘটিত হৈছিল চুৰিকাণ্ড। চুৰিকাণ্ডত চুৰি হৈছিল বহু মূল্যৱান সামগ্ৰী। ঘটনা সংঘটিত হোৱাৰ পাছতেই ৰৌতা আৰক্ষীয়ে চোৰৰ সন্ধান বিচাৰি অভিযান আৰম্ভ কৰিছিল। উক্ত অভিযানত আজি ৰৌতা আৰক্ষীৰ দলটোৱে কৰায়ত্ত কৰিবলৈ সক্ষম হয় ৰৌতাৰ আমিনপাৰা গাঁৱৰ ছাইদুৰ ৰহমান আৰু ৩নং বৰুৱাঝাৰ গাঁৱৰ আব্দুৰ ৰহমান নামৰ দুটা গভাইত চোৰক। ঘটনাৰ পিছতেই ৰৌতা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ইউ বসুমতাৰী আৰু এল মহেন্দ্ৰ সিঙৰ নেতৃত্বত চোৰ দুটাক জেৰা চলায়। আৰক্ষীৰ জেৰাৰ অন্তত ছাইদুৰ আৰু আব্দুৰৰ স্বীকাৰোক্তিত আব্দুৰৰ ঘৰৰ পৰা চুৰি সামগ্ৰী সোণৰ আ-অলংকাৰ উদ্ধাৰ কৰিবলৈ সক্ষম হয় ৰৌতা আৰক্ষীয়ে। আৰক্ষীৰ তদন্তত অধিক তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে। গ্ৰেপ্তাৰ হোৱা চোৰ দুটাক ৰৌতা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি U/S-303(2)BNS ধাৰাৰ অধীনত ৰৌতা আৰক্ষী থানাত 53/2025 নম্বৰত গোচৰ পঞ্জীয়ন কৰি আদালতলৈ প্ৰেৰণ কৰে। জানিব পৰা মতে আদালতে দুই চোৰক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে।

# কলগাছিয়াত কৃত্ৰিম বানপানীয়ে যমৰ যাতনা ভোগাইছে ৰাইজক, বিধায়কৰ বিৰুদ্ধে ক্ষোভ ৰাইজৰ

**ই-সংবাদ, কলগাছিয়া, ১৫ মে':** বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত সৰভোগ-কলগাছিয়া গড়কাপ্তানী পথৰ কলগাছিয়াত ভাৰত পেট্ৰ'লিয়াম ডিপোৰ পৰা কে কে পাঠক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ ৰাস্তাৰ এই ঠাইখিনিত এজাক বৰষুণতে সৃষ্টি হয় কৃত্ৰিম বানপানীৰ। দৈনিক হাজাৰ হাজাৰ গাড়ী-মটৰ চলাচল কৰা অতি গুৰুত্বপূৰ্ণ এই ৰাস্তাটোত এজাক বৰষুণৰ ফলত প্ৰায় একাঁঠুলৈ পানী জমা হোৱাত যমৰ যাতনা ভুগিব লগা হয় শ শ ৰাইজ তথা স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰীসকলে। উল্লেখ্য যে, জনীয়াৰ বিধায়ক ডাঃ হাফিজ ৰফিকুল ইছলামৰ নিজা ৱাৰ্ডৰ এই পথছোৱাৰ দুৰৱস্থাৰ বিষয়ে স্থানীয় ৰাইজে অৱগত কৰাৰ পিছতো কোনো গুৰুত্ব আৰোপ কৰা নাই বুলি অভিযোগ উত্থাপন হৈছে। উক্ত ৰাস্তাটোৰ লগতে কলগাছিয়াৰ অন্যান্যকেইবাটাও ৰাস্তাৰ কাষত পানী ওলাই যোৱাৰ বাবে কোনো ধৰণৰ নলা-নৰ্দমা নথকাৰ ফলত এজাক বৰষুণতেই কৃত্ৰিম বানপানীৰ সৃষ্টি হয়। ৰাস্তাত একাঁঠু পানী জমা হোৱাত যাতায়াতৰ ক্ষেত্ৰত চৰম অসুবিধাৰ সৃষ্টি হয়। স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলে কাপোৰ-কানি তিতা অৱস্থাতে ঘৰলৈ উভতি যাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয়। একেদৰে কলগাছিয়া ঈদগাহৰ ওচৰত, চিনেমা হল মাৰ্কেটত, ষ্টেট বেংকৰ সন্মুখত, কলগাছিয়া মাছ বজাৰৰ কাষত, বৰপেটা অসামৰিক চিকিৎসালয়ৰ সন্মুখত, কলগাছিয়া পাট বজাৰত এজাক বৰষুণ পৰাৰ লগে লগেই কৃত্ৰিম বানপানীৰ সৃষ্টি হয়। উক্ত স্থানসমূহত কৃত্ৰিম বানপানী সৃষ্টি হোৱাৰ মুখ্য কাৰণ হ'ল উপযুক্ত নলা-নৰ্দমা নথকা। উল্লেখ্য যে, বিগত সময়ছোৱাত একাংশ জনপ্ৰতিনিধিয়ে কলগাছিয়া মোনছেৰ মাৰ্কেট, চাৰিআলি চকৰ পৰা অসামৰিক চিকিৎসালয়লৈ যোৱা ৰাস্তাত, কলগাছিয়া বজাৰ আৰু কলগাছিয়া হাইস্কুলৰ সন্মুখৰ ৰাস্তাত নাম মাত্ৰ নলা নিৰ্মাণ কৰিছিল যদিও নলাসমূহ অকামিলা হৈ পৰিছে। সেয়ে ৰাইজে কলগাছিয়াত বিজ্ঞানসন্মত নলা নিৰ্মাণ কৰিবলৈ স্থানীয় বিধায়কৰ লগতে নৱ নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিসকলক দাবী জনাইছে। উৎফুল্লিত হৈ পৰা দেখা গৈছে।

Nucleomed- পেটিচিটি স্কেন / PETCT Scan- 970701223

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# বিলাসীপাৰাত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**ই-সংবাদ, পৰ্বতঝোৰা, ১৫ মে' :** শেহতীয়াকৈ সমজিলা বিলাসীপাৰাৰ নয়াহাট আৰক্ষী চকীৰ অন্তৰ্গত ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথত আজি নিশা ১২.৩০ মান বজাত এজন যুৱকৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, নয়াহাট আৰক্ষী চকীৰ কাষতে থকা নয়াহাট তিনিআলিৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ মাজভাগত অচিনাক্ত মৃতদেহটো পৰি থকা অৱস্থাত প্ৰত্যক্ষ কৰে। পিছত এই ঘটনা সন্দৰ্ভত খবৰ পাই নয়াহাট আৰক্ষী থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। পিছত আনুমানিক ৩৫ বছৰ বয়সৰ মৃতদেহটোৰ এই পৰ্যন্ত কোনো পৰিচয় পাবলৈ সক্ষম হোৱা নাই আৰক্ষী-প্ৰশাসনে। অচিনাক্ত মৃতদেহটো কোনো অচিনাক্ত বাহনে খুন্দিয়াই ৰাষ্ট্ৰীয় ঘাইপথত পেলাই থৈ যোৱাৰ সন্দেহ কৰিছে। নয়াহাট আৰক্ষী চকীৰ আৰক্ষীয়ে প্ৰয়োজনীয় আইনগত দিশসমূহ সম্পন্ন কৰি তদন্তৰ বাবে বিলাসীপাৰী থানালৈ প্ৰেৰণ কৰা হৈছে বুলি জানিবলৈ দিয়ে।

# দুধনৈত পৰকীয়া প্ৰেমৰ বাবে হত্যাকাণ্ড

**ই-সংবাদ, ধূপধৰা, ১৫ মে':** শেহতীয়াকৈ ৰাজ্যত পৰকীয়া প্ৰেমৰ বাবে কেইবাটাও হত্যাকাণ্ড সংঘটিত হোৱাৰ সময়তে গোৱালপাৰা জিলাৰ দুধনৈতো একে কাৰণতে এক হত্যাকাণ্ড সংঘটিত হৈছে। বিগত দুটা দিনত গুৱাহাটী মহানগৰীত দুটাকৈ হত্যাকাণ্ড সংঘটিত হোৱাৰ পিছত মঙলবাৰে মাজনিশা দুধনৈৰ উদয়পুৰত সংঘটিত হয় আন এক চাঞ্চল্যকৰ হত্যাকাণ্ড । এই হত্যাকাণ্ডটোও পৰকীয়া প্ৰেমৰ বাবে সংঘটিত হোৱাৰ সন্দেহ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। ছুৰীৰে আক্ৰমণ কৰি হত্যা কৰে ফুলেশ্বৰী বৰ্মন ৰাভা নামৰ এগৰাকী ৬০ ৰ উৰ্ধ্বৰ মহিলাক। মহিলাগৰাকীৰ বোৱাৰীগৰাকীৰ সৈতে পৰকীয়া প্ৰেমৰ সম্পৰ্ক থকা যুৱক এজনে এই হত্যাকাণ্ড সংঘটিত কৰে বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে । মঙলবাৰে নিশা নিপ্পজ্যোতি ৰাভা নামৰ এজন যুৱকে মৃত মহিলাগৰাকীৰ ঘৰৰ কাষতে থকা দোকানলৈ "ৰেড চিলি" কিনিবলৈ অহাৰ ছলেৰে মহিলাগৰাকীক চোকা অস্ত্ৰেৰে হানি-খুঁচি হত্যা কৰে। আনহাতে মহিলাগৰাকীৰ ৩ আৰু ৯ বছৰীয়া দুগৰাকী নাতিনীকো ডিঙি চেপি হত্যাৰ চেষ্টা চলাইছিল ঘাতকে। সেই সময়তে স্থানীয় ৰাইজে চিঞৰ শুনি ঘটনাস্থলীত উপস্থিত হোৱাৰ পিছতে ঘাতকে উক্ত স্থানৰ পৰা পলায়ন কৰে। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ সোধা-পোছাৰ বাবে মৃত মহিলাগৰাকীৰ বোৱাৰী চুমা দাসক আটক কৰিছে। আৰক্ষীয়ে নিশাই তদন্ত আৰম্ভ কৰি মৃতদেহটো অৰ্ধ-উলংগ অৱস্থাত উদ্ধাৰ কৰে। ইফালে ঘাতক নিপ্পজ্যোতি ওৰফে নিৰজ ৰাভাক বিচাৰি আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে। স্থানীয় লোকে জনোৱা অনুসৰি মৃত মহিলাগৰাকীৰ বোৱাৰীজনীৰ সৈতে হত্যাকাৰী নিপ্পজ্যোতিৰ আছিল পৰকীয়া প্ৰেমৰ সম্পৰ্ক। ইফালে নিশা বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা সাংবাদিকক স্থানীয় আৰক্ষীৰ লগতে শীৰ্ষ আৰক্ষী বিষয়াই দুৰ্ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন হৈছে। ঘটনাস্থলীত ভিজুৱেল সংগ্ৰহ কৰাত সাংবাদিকক বাধা প্ৰদানৰ লগতে ভিডিঅ' ডিলিট কৰিবলৈ দিয়ে। দুধনৈৰ মাজমজিয়াত এগৰাকী মহিলাক হত্যা কৰি আৰক্ষীৰ চকুত ধূলি দি নিৰ্বিঘ্নে পলায়ন কৰা কাৰ্যত স্থানীয় ৰাইজ হতবাক হৈ পৰিছে।

# মিৰ্জাত পঞ্চায়ৰ নৱ নিৰ্বাচিত প্ৰাৰ্থীসকলৰ সৈতে চিনাকি পৰ্ব অনুষ্ঠান

**ই-সংবাদ, মিৰ্জা, ১৫ মে':** অসমৰ পঞ্চায়ত নিৰ্বাচনৰ ফলাফলে সম্প্ৰতি চৌদিশে পদুমফুলীয়া হাঁহি বিৰিঙাইছে। সমান্তৰালভাৱে পলাশবাৰী সমষ্টিৰ পঞ্চায়ত নিৰ্বাচনত পদুম ফুলৰ চমকপ্ৰদ প্ৰদৰ্শনে শাসকীয় পক্ষক উৎসাহিত কৰিছে। আজি ১৪ মে', বুধবাৰে মিৰ্জাৰ অৰ্কিড পেলেচত দিনৰ ১১ বজাত ২৯ নং পলাশবাৰী সমষ্টিৰ অন্তৰ্গত নৱ নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিসকলৰ সৈতে চিনাকি পৰ্ব তথা বিশেষ অভিনন্দন অনুষ্ঠানত উপস্থিত থাকে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া। উক্ত কাৰ্যসূচীত পলাশবাৰী সমষ্টিৰ নৱ নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিসকলৰ সৈতে বিধায়কগৰাকীয়ে চিনাকি হোৱাৰ লগতে সকলোকে অভিনন্দন জনায়। বিধায়ক ঠাকুৰীয়াই আগন্তুক দিনত নৱ নিৰ্বাচিত জনপ্ৰতিনিধিসকলক সততা, নিষ্ঠা আৰু দায়িত্ব সহকাৰে ৰাইজৰ সৰ্বাংগীন উন্নয়নৰ হকে সেৱা কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানৰ লগত সংগতি ৰাখি বিধায়ক হেমাংগ ঠাকুৰীয়াই এখন প্ৰীতিভোজৰো আয়োজন কৰে। উল্লেখ্য যে আজিৰ চিনাকি পৰ্ব অনুষ্ঠানত নৱ নিৰ্বাচিত শাসক-বিৰোধীৰ সকলো প্ৰাৰ্থীৰ উপস্থিতি পৰিলক্ষিত হয়। শাসকীয় পক্ষই আয়োজন কৰা ভোজভাত অনুষ্ঠানত বিৰোধী পক্ষৰ প্ৰাৰ্থীসকলৰ লগতে শাসক পক্ষৰ প্ৰাৰ্থীসকল উপস্থিত থাকে। এই ভোজভাতৰ ৰাজনীতিয়ে পৰৱৰ্তীকালত কিহৰ ইংগিত দিয়ে সেয়া হ'ব লক্ষণীয়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

# চামগুৰিৰ মধ্যপাৰাত পথ দুৰ্ঘটনাত মহিলা নিহত

**ই-সংবাদ, পুৰণিগুদাম, ১৫ মে':** নগাঁও জিলাৰ চামগুৰি থানাৰ অন্তৰ্গত মধ্যপাৰা অঞ্চলত আজি সংঘটিত এক পথ দুৰ্ঘটনাত এগৰাকী বৃদ্ধ মহিলা থিতাতে নিহত হয়। জানিব পৰা মতে, চামগুৰি থানাৰ অন্তৰ্গত মধ্যপাৰা অঞ্চলত আজি চেফালি ভূমিজ নামৰ বৃদ্ধ মহিলাগৰাকীয়ে এটা পথ পাৰ হ'বলৈ ধৰা সময়ত এখন অচিনাক্ত গাড়ীয়ে মহটিয়াই নিয়ে। ফলত বৃদ্ধ মহিলাগৰাকী থিতাতে নিহত হয়। বিয়া হোৱা নাতিনীয়েকৰ ঘৰলৈ যোৱা ১৩ তাৰিখে ফুৰিবলৈ আহি দুৰ্ঘটনাত পতিত হৈ মৃত্যু হোৱা চেফালি ভূমিজ নামৰ মহিলাগৰাকীৰ ঘৰ কলিয়াবৰৰ মিছাত বুলি জানিব পৰা গৈছে।আনহাতে, পথ দুৰ্ঘটনাত নিহত হোৱা মহিলাগৰাকীৰ মৃতদেহটো উদ্ধাৰ কৰি চামগুৰি থানাৰ আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা বুলি জানিব পৰা গৈছে।

# মাজুলীৰ নাৰ্ছিং স্কুলত আন্তঃৰাষ্ট্ৰীয় ধাত্ৰী দিৱস পালন

**ই-সংবাদ বিশেষ, মাজুলী, ১৫ মে':** আধুনিক নাৰ্চিং শিক্ষাৰ বাটকটীয়া তথা লেডী উইথ দ্যা লেম্প' ৰূপে খ্যাত ফ্লৰেন্স নাইটিংগেলৰ জন্ম দিৱস মাজুলীৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱ গোস্বামী নাৰ্ছিং স্কুলত কালি উদযাপন কৰা হয়। ফ্লৰেঞ্চ নাইটিংগেলৰ জন্ম দিৱস ১২ মে'ত আছিল যদিও সিদিনা বুদ্ধ পূৰ্ণিমাৰ বন্ধ থকাৰ বাবে কালি নাৰ্ছিং স্কুলত উক্ত আন্তঃৰাষ্ট্ৰীয় ধাত্ৰী দিৱস পালন কৰা হয়। নাৰ্ছিং স্কুলৰ শ্ৰেণী কোঠাত পুৱা দহ বজাৰ পৰা আৰম্ভ হোৱা উক্ত আন্তঃৰাষ্ট্ৰীয় ধাত্ৰী দিৱস উপলক্ষে ফ্লৰেন্স নাইটিংগেলৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে মাজুলী জিলা স্বাস্থ্য বিভাগৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ কিশোৰ কুমাৰ কমান, ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ মাজুলীৰ জিলা আঁচনি বিষয়া ডি পি এম ধ্ৰুৱজ্যোতি দাস, পীতাম্বৰ দেৱ গোস্বামী কনিষ্ঠ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ঘন কান্ত নাথ, ধ্ৰুৱজ্যোতি দাস, জিলা চিকিৎসালয়ৰ ৱাৰ্ড ইনচাৰ্জ মিনাক্ষী দলে আৰু ৰিমা বৰা আৰু পীতাম্বৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ প্ৰৱক্তা যদু কলিতাই। মাজুলী নাৰ্ছিং স্কুলৰ ছাত্ৰী দিপ্তীমণি পাতিৰ আৰু নিশিতা গগৈয়ে আঁত ধৰা উক্ত ধাত্ৰী দিৱসত ছাত্ৰীসকলে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। প্ৰিয়ংকা হাজঙে আদৰণি ভাষণ দিয়া অনুষ্ঠানত আন্তঃৰাষ্ট্ৰীয় ধাত্ৰী দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে মাজুলীৰো এই নাৰ্ছিং স্কুলৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা চিমি মহন্তই। তেওঁ চিকিৎসা ক্ষেত্ৰত নাৰ্ছসকলৰ ভূমিকা, মানৱীয়তাক সকলোতকৈ আগত ৰাখি নাৰ্ছসকলক দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰি মাজুলীৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ কিশোৰ কুমাৰ কমানে ধাত্ৰী দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে আৰু নাৰ্ছ বৃত্তিক সন্মানীয় বৃত্তি বুলি উল্লেখ কৰে আৰু নাৰ্ছ বৃত্তিয়ে দেশৰ অৰ্থনীতি সবল কৰে বুলিও উল্লেখ কৰে। সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰা ধ্ৰুৱজ্যোতি দাস আৰু ঘনকান্ত নাথে ভাষণ প্ৰদান কৰে। উক্ত দিৱসত চলিত বৰ্ষৰ নাৰ্ছ দিৱসৰ মূল থীম "আৱাৰ নাৰ্ছেছ আৱ আৱাৰ ফিউচাৰ"ৰ ওপৰত ব্যাখ্যা দাঙি ধৰে মাজুলী নাৰ্ছিং স্কুলৰ ফেকাল্টি প্ৰাৰ্থনা শইকীয়াই। অনুষ্ঠানত ৰাণী শইকীয়াই ভূপেন হাজৰিকাৰ গীত, কাজৰিকা গগৈ আৰু নয়নমণি ফুকনে নৃত্য প্ৰদৰ্শন কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানত যুদ্ধত নিহত স্বামীৰ পাছত নাৰ্ছ পত্নীৰ বেদনা আৰু দায়িত্বৰ ওপৰত একক অভিনয় কৰে প্ৰথম বৰ্ষৰ গীতিমালি দিহিঙীয়াই।

# পাকিস্তানক প্ৰকাৰান্তে ভিক্ষাৰী দেশ আখ্যা ৰাজনাথৰ

## পাৰমাণৱিক অস্ত্ৰৰ দায়িত্ব আইএইএ-ক ল'বলৈ আহ্বান

**নতুন দিল্লী, ১৫ মে':** আজি জম্মু-কাশ্মীৰত দিয়া ভাষণৰ সময়ত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে পাকিস্তানৰ অৰ্থনৈতিক অৱস্থা আৰু আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি (আইএমএফ)ৰ পৰা আৰ্থিক সাহায্যৰ ওপৰত ইয়াৰ নিৰ্ভৰশীলতাক তীব্ৰ সমালোচনা কৰে। অপাৰেচন সেন্দুৰৰ পাছত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে প্ৰথমবাৰৰ বাবে অঞ্চলটো ভ্ৰমণ কৰে। পাকিস্তানৰ সিঙে কয়, "ভিক্ষা কৰি কৰি এই দেশখন এনেকুৱা অৱস্থা পাইছেগৈ যে পাকিস্তান য'তেই থিয় হৈ থাকে তাৰপৰাই ভিক্ষাৰীৰ শাৰী আৰম্ভ হয় বুলি ক'ব পাৰি।" উল্লেখ্য, আইএমএফে এক্সটেণ্ডেড ফাণ্ড ফেচিলিটি (ইএফএফ)ৰ অধীনত পাকিস্তানক ১.০২৩ বিলিয়ন ডলাৰ নতুনকৈ প্ৰদান কৰে, যাৰ ফলত বৰ্তমানৰ কাৰ্যসূচীৰ অধীনত মুঠ বিতৰণ কৰা ধনৰাশি প্ৰায় ২.১ বিলিয়ন ডলাৰলৈ বৃদ্ধি পায়। এই সংক্ৰান্ততে উক্ত মন্তব্যৰে পাকিস্তানক সমালোচনা কৰে সিঙে। তেওঁ লগতে কয় যে পাকিস্তানে সেই আইএমএফৰ পৰা দ্বিতীয়বাৰ ধন বিচাৰিছে যত আন দেশৰ লগতে ভাৰতেও দুখীয়া দেশৰ বাবে বৰঙণি দিয়ে। ইয়াৰ লগতে তেওঁ আন্তঃৰাষ্ট্ৰীয় পাৰমাণৱিক শক্তি সংস্থা বা আইএইএ-ক পাকিস্তানৰ পাৰমাণৱিক অস্ত্ৰৰ দায়িত্ব ল'বলৈ আহ্বান জনায়। শ্ৰীনগৰৰ বাদামী বাঘ কেন্টনমেণ্টত ভাৰতীয় সৈনিকসকলক সম্বোধন কৰি ৰাজনাথ সিঙে এইদৰে কয়- 'পাকিস্তানে কিমান দায়িত্বহীনভাৱে ভাৰতক ভাবুকি দিছিল সেয়া সমগ্ৰ বিশ্বই দেখিছে। আজি শ্ৰীনগৰৰ ভূমিৰপৰা মই এই প্ৰশ্ন উত্থাপন কৰিব বিচাৰিছোঁ যে এনে এক দায়িত্বহীন আৰু অসৎ জাতিৰ হাতত পাৰমাণৱিক অস্ত্ৰ নিৰাপদ হয় নে? মই বিশ্বাস কৰোঁ যে পাকিস্তানৰ পাৰমাণৱিক অস্ত্ৰ আন্তঃৰাষ্ট্ৰীয় পাৰমাণৱিক শক্তি সংস্থাই তত্বাৱধানত লোৱা উচিত।' ইয়াৰ লগতে অপাৰেচন সিন্দুৰৰ সফলতাৰ বাবে প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্ব আৰু সশস্ত্ৰ বাহিনীক কৃতিত্ব প্ৰদান মন্ত্ৰীগৰাকীয়ে।



জম্মু-কাশ্মীৰৰ কুপৱাৰাত বাংকাৰ পৰিদৰ্শন মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাৰ, ফটো বুধবাৰৰ

# জেএনইউৰ পাছত তুৰস্কৰে সম্পূৰ্ণকৈ চুক্তি বাতিল জামিয়া মিলিয়া বিশ্ববিদ্যালয়ৰ

**নতুন দিল্লী, ১৫ মে':** 'ৰাষ্ট্ৰীয় নিৰাপত্তা'ৰ দোহাই দি তুৰস্কৰ সৈতে হোৱা সকলো বুজাবুজিৰ চুক্তি স্থগিত ৰখাৰ কথা ঘোষণা কৰিছে জামিয়া মিলিয়া ইছলামিয়া বিশ্ববিদ্যালয়ে। তুৰস্কই ভাৰতৰ শত্ৰু ৰাষ্ট্ৰ পাকিস্তানক সহায় কৰাৰ প্ৰতিক্ৰিয়াস্বৰূপে বিশ্ববিদ্যালয়খনে এই সিদ্ধান্ত গ্ৰহণ কৰে। শেহতীয়াকৈ ভাৰতৰ সৈতে সংঘাত বৃদ্ধি পোৱাৰ সময়ত আংকাৰাই পাকিস্তানক ড্ৰ'ন আৰু অস্ত্ৰ যোগান ধৰিছিল। বিশ্ববিদ্যালয়খনে এক বিবৃতিত কয় যে, "ৰাষ্ট্ৰীয় নিৰাপত্তাৰ কথা বিবেচনা কৰি, নতুন দিল্লীৰ জামিয়া মিলিয়া ইছলামিয়া আৰু ৰিপাব্লিক অৱ টুৰ্কিয়ে চৰকাৰৰ সৈতে জড়িত যিকোনো প্ৰতিষ্ঠানৰ মাজত হোৱা যিকোনো বুজাবুজিৰ চুক্তি তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ বাতিল কৰা হৈছে। জামিয়া মিলিয়া ইছলামিয়াই ৰাষ্ট্ৰৰ সৈতে দৃঢ়তাৰে থিয় দিছে।" উল্লেখ্য, তুৰস্ক সন্দৰ্ভত জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয় আৰু হায়দৰাবাদৰ মৌলানা আজাদ ৰাষ্ট্ৰীয় উৰ্দু বিশ্ববিদ্যালয়েও একেধৰণৰ একেধৰণৰ পদক্ষেপ গ্ৰহণ কৰাৰ কথা ইতিপূৰ্বে ঘোষণা কৰিছে।

# জম্মুৰ পুলৱামাত যুটীয়া অভিযানত তিনি সন্ত্ৰাসবাদী নিহত

**শ্ৰীনগৰ, ১৫ মে':** আজি জম্মু-কাশ্মীৰৰ পুলৱামা জিলাত ভাৰতীয় সেনা আৰু জম্মু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু কাশ্মীৰ আৰক্ষীয়ে যৌথ অভিযান চলাই তিনিটা সন্ত্ৰাসবাদীক হত্যা কৰে। বিশেষ চোৰাংচোৱা তথ্যৰ ভিত্তিত পুৰা আৱন্তিপুৰাৰ ট্ৰালৰ নাদেৰ অঞ্চলত এই অভিযান আৰম্ভ কৰা হৈছিল। এলেকাটোত সন্দেহজনক কাৰ্যকলাপ পৰ্যবেক্ষণ কৰিছিল সেনাই। অভিযানৰ সময়ত সন্ত্ৰাসবাদীয়ে নিৰাপত্তা বাহিনীৰ ওপৰত গুলীচালনা কৰে। ইয়াৰ পিছত তীব্ৰ গুলীয়াগুলি হয়। উল্লেখ্য যে, পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত ভাৰতীয় বাহিনীয়ে জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছে। মঙলবাৰে ভাৰতীয় সেনাই জম্মু-কাশ্মীৰ আৰক্ষী আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সৈতে যৌথ অভিযানত লস্কৰ-ই-তৈবা/দ্য ৰেজিষ্টেন্স ফ্ৰণ্টৰ স্থানীয় অধিনায়ককে ধৰি তিনিটা সন্ত্ৰাসবাদীক এনকাউণ্টাৰ কৰিছিল। অভিযানটোত বৃহৎ পৰিমাণৰ গোলাবাৰুদ উদ্ধাৰ কৰা হৈছিল। উল্লেখযোগ্য যে জম্মু-কাশ্মীৰৰ বিদ্ৰোহত সক্ৰিয়ভাৱে জড়িত ৰেজিষ্টেন্স ফ্ৰণ্ট গোটটো ভাৰতত সন্ত্ৰাসবাদী সংগঠন হিচাপে চিহ্নিত কৰা হৈছে। এই সংগঠনটো লস্কৰ-ই-তৈবাৰ অংশ বুলি অনুমান কৰা হৈছে। টি আৰ এফে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছিল।

# ১০১ সংখ্যক উপগ্ৰহ উৎক্ষেপণৰ বাবে সাজু ইছৰ'

**বাংগালুৰু, ১৫ মে':** ১৮ মে'ত ১০১ সংখ্যক উপগ্ৰহ উৎক্ষেপণ কৰিব ইছৰ'ই। আজি ইছৰ'ৰ অধ্যক্ষ ভি নাৰায়ণনে এই কথা ঘোষণা কৰে আৰু মহাকাশ সংস্থাটোৰ কাৰ্যসূচীসমূহ দেশৰ সুৰক্ষা আৰু নিৰাপত্তা নিশ্চিত কৰাৰ বাবে পৰিকল্পনা কৰা হৈছে বুলি দৃঢ়তাৰে কয়। তেওঁ লগতে কয় যে, "আমি জানুৱাৰী মাহত শ্ৰীহৰিকোটাৰ পৰা এশ সংখ্যক ৰকেট সফলতাৰে উৎক্ষেপণ কৰিলোঁ। ভাৰতৰ ১০১ সংখ্যক উপগ্ৰহ পিএছএলভি-চি৬১-ত থকা আৰ্থ অবজাৰ্ভেচন চেটেলাইট ৰিছেট-১৮ অহা ১৮ মে'ত উৎক্ষেপণ কৰা হ'ব। পিএছএলভিয়ে ভাৰতৰ চোৰাচিতা আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষমতাক শক্তিশালী কৰিব বুলি তেওঁ উল্লেখ কৰে আৰু কয় যে ১৯৭৯ চনত প্ৰথম ৰকেট নিক্ষেপ কৰাৰ সময়তে ভাৰতত মহাকাশ যাত্ৰা আৰম্ভ হৈছিল। আমাৰ প্ৰথম সফল উৎক্ষেপণ আছিল ১৯৮০ চনত।

# বিহাৰত ৰাহুল গান্ধীৰ বিৰুদ্ধে পুনৰ এফআইআৰ

**পাটনা, ১৫ মে':** বিহাৰ ভ্ৰমণলৈ যোৱা কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীৰ বিৰুদ্ধে দাখিল কৰা হৈছে দুখনকৈ এফআইআৰ। দৰভঙাৰ লহেৰিয়াচৰাই থানাত ৰাহুল গান্ধীকে ধৰি ২০ জন নেতা আৰু প্ৰায় ১০০ জন অচিনাকি লোকক এই এফআইআৰত সাঙুৰি লোৱা হৈছে। প্ৰশাসনৰ অনুমতি অবিহনে আম্বেদকাৰ হোষ্টেলত বলপূৰ্বকভাৱে কাৰ্যসূচী আয়োজন কৰাৰ অভিযোগ উত্থাপিত হৈছে নেতাগৰাকীৰ বিৰুদ্ধে। উল্লেখ্য যে ছাত্ৰাবাসটোত কোনোধৰণৰ ৰাজনৈতিক অনুষ্ঠান পতাৰ অনুমতি নাছিল।

# চেলেবি এয়াৰপৰ্ট চাৰ্ভিচৰ অনুমতি বাতিল কেন্দ্ৰৰ

**মুম্বাই, ১৫ মে':** ৰাষ্ট্ৰীয় নিৰাপত্তাৰ কথা উল্লেখ কৰি তুৰস্কৰ বিমানবন্দৰৰ গ্ৰাউণ্ড হেণ্ডলিং কোম্পানী চেলেবি এয়াৰপৰ্ট চাৰ্ভিচৰ নিৰাপত্তাৰ অনুমতি বাতিল কৰিছে ব্যুৰো অৱ চিভিল এভিয়েচনে। সূত্ৰ অনুসৰি চেলেবি বিমানবন্দৰ সেৱাই ভাৰতৰ ৮টা বিমানবন্দৰত গ্ৰাউণ্ড হেণ্ডলিং সেৱা আগবঢ়ায়। শেহতীয়াকৈ মুম্বাইৰ শ্বিণ্ডে ফৈদৰ এটা প্ৰতিনিধি দলে ১৩ মে'ত মুম্বাইৰ ছত্ৰপতি শিৱাজী মহাৰাজ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত প্ৰতিবাদ সাব্যস্ত কৰি মুম্বাই বিমানবন্দৰৰ সৈতে তুৰস্কৰ কোম্পানী চেলেবি এয়াৰপৰ্ট চাৰ্ভিচেছৰ সৈতে সম্পৰ্ক শেষ কৰিবলৈ দাবী জনাইছিল মুম্বাই বিমানবন্দৰত প্ৰায় ৭০ শতাংশ স্থল পৰিচালনাৰ কাম চেলেবীয়ে চোৱা-চিতা কৰে। ইয়াৰ ভিতৰত যাত্ৰী সেৱা, লোড কণ্ট্ৰ'ল, বিমান পৰিচালনা, কাৰ্গো আৰু ডাক সেৱা, গুদাম আৰু দলং পৰিচালনা আদি অন্তৰ্ভুক্ত। সীমান্তৰ উত্তেজনাৰ মাজতে পাকিস্তানলৈ ড্ৰ'ন প্ৰেৰণ কৰি ভাৰতত তীব্ৰ বিৰোধিতাৰ সন্মুখীন হৈছে তুৰস্ক। তুৰ্কী আপেলৰ পৰা আৰম্ভ কৰি শুকান ফল আৰু মাৰ্বল আৰু অন্যান্য সামগ্ৰী বৰ্জনৰ লগতে তুৰস্ক ভ্ৰমণৰ বুকিং বাতিল কৰিছে।

## পিপলিবাৰী,বৰ্ণিবাৰীৰ দুই ছাত্ৰ-ছাত্ৰীৰ সফলতা

**ই-সংবাদ, নলবাৰী, ১৫ মে':** কেন্দ্ৰীয় মাধ্যমিক শিক্ষা ব'ৰ্ডৰ অধীনত অনুষ্ঠিত দশম শ্ৰেণীৰ পৰীক্ষাৰ কালি ঘোষিত ফলাফলত নলবাৰী জিলাৰ পানীগাঁৱৰ ছেইন্ট মেৰিজ স্কুলৰ মেধাৱী ছাত্ৰ ৰাজদ্বীপ তালুকদাৰে ৯১.৬ শতাংশ নম্বৰ লাভেৰে নলবাৰী জিলাৰ পিপলিবাৰী গাঁওলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। গাঁওখনৰ এগৰাকী ব্যবসায়ী, সমাজকৰ্মী মৃণাল তালুকদাৰ আৰু মঞ্জু তালুকদাৰৰ সুযোগ্য পুত্ৰ ৰাজদ্বীপে ইংৰাজী বিষয়ত ৮৯, অসমীয়া বিষয়ত ৯৪, গণিতত ৮২, সাধাৰণ বিজ্ঞানত ৯১, সমাজ বিজ্ঞানত ৯২, কম্পিউটাৰ বিজ্ঞান(আইটি)ত ৯২ নম্বৰসহ মুঠ ৫৪০ নম্বৰেৰে ডিষ্টিংচন লাভ কৰিবলৈ সক্ষম হয়। পিপলিবাৰী চ'কত গেলামাল দোকান দি ব্যৱসায় কৰা মৃণাল তালুকদাৰৰ পুত্ৰৰ এনে ফলাফলক লৈ তালুকদাৰৰ শুভাকাংক্ষীসকলে কৃতী ছাত্ৰজনক শুভেচ্ছা জ্ঞাপন কৰে। ইপিনে, ছাত্ৰজনৰ এনে ফলাফলক লৈ শিক্ষানুষ্ঠানৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে ৰাজদ্বীপৰ পৰিয়ালবৰ্গইও উৎফুল্লিত হৈ পৰে। ভৱিষ্যতে এগৰাকী সু-অভিযন্তা হোৱাৰ সপোন দেখা মেধাৱী ছাত্ৰজনে নাটক ৰচনাকে ধৰি বিভিন্ন লেখা-মেলা কৰাত ৰাপ থকাৰ কথা উল্লেখ কৰে। আনহাতে, সদ্য ঘোষিত কেন্দ্ৰীয় মাধ্যমিক শিক্ষা ব'ৰ্ড চমুকৈ চিবিএছইৰ দশম শ্ৰেণীৰ পৰীক্ষাৰ ফলাফলত নলবাৰী জিলাৰ বেলশৰ বিশ্বেশ্বৰস্থ গোপাল চন্দ্ৰ একাডেমীৰ মেধাৱী ছাত্ৰী নুপুৰ নন্দিনী বৈশ্যই একাডেমীৰ ভিতৰতেই শীৰ্ষ স্থান দখল কৰিবলৈ সক্ষম হৈছে। নলবাৰী জিলাৰ বৰ্ণিবাৰী গাঁৱৰ মেধাৱী ছাত্ৰীগৰাকীয়ে ৯৪.৪ শতাংশ নম্বৰ লাভেৰে বিদ্যালয়খনৰ লগতে সমগ্ৰ অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিছে। জিলাখনৰ বৰ্ণিবাৰী বজাৰৰ ব্যৱসায়ী স্বপন বৈশ্য আৰু ৰীতামণি বৈশ্যৰ কন্যা নুপুৰে ইংৰাজী বিষয়ত ৯৩, অসমীয়াত ৯৫, গণিতত ৯৮, সাধাৰণ বিজ্ঞানত ৯৩, সমাজ বিজ্ঞানত ৯৩, কম্পিউটাৰ বিজ্ঞানত ৯১ নম্বৰসহ মুঠ ৯৪.৪ শতাংশ নম্বৰ লাভ কৰি সমগ্ৰ অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। বিদ্যালয়খনৰ এনে ফলাফলক লৈ শিক্ষানুষ্ঠানৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে মেধাৱী ছাত্ৰীগৰাকীৰ পৰিয়ালটো উৎফুল্লিত হৈ পৰে। গোপাল চন্দ্ৰ একাডেমীয়ে প্ৰতিটো শৈক্ষিক পৰীক্ষাত উন্নত ফলাফল প্ৰদৰ্শন কৰি আহিছে।

# দীনদয়াল মহাবিদ্যালয়ত বীৰুবালা ৰাভাৰ প্ৰথম মৃত্যু বাৰ্ষিকী

**ই-সংবাদ, অভয়াপুৰী, ১৫মে':** বঙাইগাঁও জিলাৰ টুলুঙীয়াস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত আৰু সমাজশাস্ত্ৰ বিভাগৰ সহযোগত কালি পদ্মশ্ৰী বঁটাপ্ৰাপ্ত প্ৰয়াত বীৰুবালা ৰাভাৰ প্ৰথম মৃত্যু বাৰ্ষিকীৰ দিনটো অন্ধবিশ্বাস বিৰোধিতা দিৱস হিচাপে উদযাপন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ফটিক চন্দ্ৰ কলিতাই বিষয়বস্তুৰ লগত সংগতি ৰাখি বক্তব্য দাঙি ধৰে। অনুষ্ঠানত অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান ড০ বনলতা দাস আৰু সমাজশাস্ত্ৰ বিভাগৰ বিভাগীয় প্ৰধান ড০ জাগৃতি ঘোষেও অন্ধবিশ্বাস তথা এই সন্দৰ্ভত বীৰুবালা ৰাভাৰ ভূমিকাৰ বিষয়ে সুন্দৰ বক্তৃতা আগবঢ়ায়। অনুষ্ঠানত অন্ধবিশ্বাসনিৰ্মূলকৰণৰ ক্ষেত্ৰত বীৰুবালা ৰাভাৰ ভূমিকা সন্দৰ্ভত "হোৱাট ইট্ ইজ লাইক বিং ডিকলাৰ এ ৱাইটছ ইন মডাৰ্ন ইণ্ডিয়া' শীৰ্ষক এখন তথ্যচিত্ৰও প্ৰদৰ্শন কৰা হয়। মহাবিদ্যালয়ৰ সমাজশাস্ত্ৰ বিভাগৰ সহকাৰী অধ্যাপক অমৰকৃষ্ণ নাৰায়ণে তথ্যচিত্ৰখনৰ সাৰবস্তু সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। অনুষ্ঠানত আদৰণি ভাষণ আগবঢ়োৱাৰ লগতে সমগ্ৰ অনুষ্ঠানটিৰ আঁত ধৰে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক সমৰেশ নন্দীয়ে। শিক্ষক, ছাত্ৰ-ছাত্ৰী সমন্বিতে প্ৰায় ত্ৰিশৰো অধিক অংশগ্ৰহণকাৰীয়ে অংশগ্ৰহণ কৰা অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় মহাবিদ্যালয়ৰ সমাজশাস্ত্ৰ বিভাগৰ সহকাৰী অধ্যাপিকা ড০ ইন্দ্ৰানী তালুকদাৰে।

# জয়ৰ সম্ভাৱনা নথকা প্ৰাৰ্থীক বাছনি কৰি শলঠেকত পৰিল কংগ্ৰেছ

**ই-সংবাদ, অভয়াপুৰী, ১৫ মে':** প্ৰাৰ্থী বাছনিৰ কৰ্তৃত্ব নেতা, বিষয়ববীয়াৰ থাকিব পাৰে, কিন্তু প্ৰাৰ্থী এগৰাকীক বিজয়ী কৰি অনাৰ কৰ্তৃত্ব জনসাধাৰণৰ হাততহে আছে।- এই মন্তব্য বঙাইগাঁও জিলাৰ ৰঙাপানী জিলা পৰিষদ সমষ্টিৰ সদ্য বিজয়ী নিৰ্দলীয় প্ৰাৰ্থী আবিদা চৌধুৰীৰ। নিৰ্বাচনত কংগ্ৰেছ দলে প্ৰক্ষেপ কৰা প্ৰাৰ্থিত্বক প্ৰদানক প্ৰত্যাহ্বান জনাই নিৰ্দলীয়ৰূপে বৃহৎসংখ্যক ভোটৰ ব্যৱধানত বিজয়ী হোৱাৰ পাছত উৎফল্লিত আৰু সুখী অনুভৱ কৰি চৌধুৰীয়ে কয় যে, নিৰন্তৰ ৰাইজৰ হিতাৰ্থে চিন্তা কৰি অহা বাবে আৰু সমষ্টি উন্নয়নত অধিক মনোনিৱেশ কৰিব বুলি ভাবিয়েই মোৰ প্ৰতি ৰাইজে আস্থা আগবঢ়াইছে। সেয়ে অনাগত দিনত তেওঁ সমষ্টি উন্নয়নত অধিক মনোনিৱেশ কৰিব বুলিও সাংবাদিকক জানিবলৈ দিয়ে। কংগ্ৰেছ দলৰ প্ৰাৰ্থী বাছনিক তীব্ৰ সমালোচনা কৰি চৌধুৰীয়ে কয় যে, তেওঁৰ পৰিয়ালটোৱে কংগ্ৰেছৰ সেৱাত দীৰ্ঘদিন ধৰি আত্মনিয়োগ কৰি আহিছিল। তদুপৰি ৰাইজৰ আস্থাভাজন হৈ থকা বুলি জ্ঞাত হোৱাৰ পাছতো প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত হ'বলগীয়া হয়। বিজয়ী প্ৰাৰ্থী চৌধুৰীয়ে আকৌ জানিবলৈ দিয়া মতে, ৰহস্যজনক কাৰণতে বিজয়ী হোৱাৰ সম্ভাৱনা নথকা প্ৰাৰ্থীকে কংগ্ৰেছে প্ৰাৰ্থী হিচাপে বাছনি কৰে। ইয়াতে ক্ষুব্ধ হৈ চৌধুৰীয়ে থিৰাং কৰে যে, দলৰ প্ৰাৰ্থী বাছনিৰ কৰ্তৃত্ব নেতা, বিষয়ববীয়াৰ থাকিব পাৰে কিন্তু প্ৰাৰ্থী এগৰাকীক বিজয়ী কৰি অনাৰ কৰ্তৃত্ব জনসাধাৰণৰ হাততহে আছে। এনে চিন্তা কৰিয়েই চৌধুৰীয়ে নিৰ্বাচনত নিৰ্দলীয়ৰূপে অৱতীৰ্ণ হোৱাৰ দৃঢ়মত পোষণ কৰে । ৰাইজৰ দাবীত নিৰ্দলীয়ৰূপে নিৰ্বাচনত অৱতীৰ্ণ হৈ অতি কম সময়ৰ ভিতৰতে পাঁচখনকৈ পঞ্চায়তক সামৰি লোৱা সমষ্টিটোত আস্থা লাভ কৰাটো অতি কষ্টসাধ্য বুলিও মন্তব্য কৰে। কংগ্ৰেছ দলৰ একাংশ নেতা, বিষয়ববীয়াক সমালোচনা কৰি সদ্য বিজয়ী চৌধুৰীয়ে কয় যে, দলটোৰ হৈ সেৱা আগবঢ়োৱা কৰ্মীসকলে উপযুক্ত মৰ্যাদাৰ পৰা বঞ্চিত হৈছে আৰু শেহতীয়াভাৱে অনুষ্ঠিত পঞ্চায়ত নিৰ্বাচনত নেতাসকলে প্ৰাৰ্থিত্ব প্ৰদানৰ ক্ষেত্ৰত যি বৈষম্য দেখুৱালে সেয়া দলৰ বাবে শুভ লক্ষণ নহয় বুলি অভিহিত কৰে। এইক্ষেত্ৰত চৌধুৰীয়ে পুনৰ কংগ্ৰেছলৈ উভতি নাযায় বুলিও জানিবলৈ দিয়ে। নৱ নিৰ্বাচিত জিলা পৰিষদৰ সদস্য চৌধুৰীয়ে জিলা পৰিষদ গঠনৰ ক্ষেত্ৰত ক'ত, কেনেদৰে, কাক সহযোগিতা কৰিব সেয়া ৰাইজৰ সৈতে আলোচনা কৰিহে আগবাঢ়িব বুলিও মন্তব্য কৰে।

# মঙলদৈৰ গুৰুকুল গ্ৰুপ অৱ এডুকেছনেল ৱিংছৰ অভুতপূৰ্ব ফলাফল

**ই-সংবাদ বিশেষ, মঙলদৈ, ১৫ মে':** দৰং জিলাৰ মঙলদৈ গুৰুকুল গ্ৰুপ অৱ এডুকেছনেল ৱিংছৰ কেইবাগৰাকীও ছাত্ৰই মঙলবাৰে ঘোষিত কেন্দ্ৰীয় মাধ্যমিক শৈক্ষিক বোৰ্ড (চিবিএছই) উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত অভুতপূৰ্ব ফলাফল লাভ কৰিবলৈ সক্ষম হৈছে। ফলাফল ঘোষণা কৰাৰ পিছতে বিদ্যালয়ত উৎসৱমুখৰ পৰিৱেশ সৃষ্টি হয়। ঘোষণা কৰা ফলাফল অনুসৰি, ৫৭ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰীক্ষাত অৱতীৰ্ণ হৈছিল। বিদ্যালয়খনৰ অংকিত ভূঞাই ৯৮.৬ শতাংশ নম্বৰ লাভ কৰি ৰাজ্যৰ ভিতৰতে শ্ৰেষ্ঠ স্থান লাভ কৰিছে। তাৰ পিছত অপৰাজিতা ব্যাসে ৯৭.৬ শতাংশ, বিপাশামণি প্ৰিয়মে ৯৭.২ শতাংশ আৰু উদ্দীপ্ত বৰাই ৯৫.২ শতাংশ নম্বৰ লাভ কৰে। বিদ্যালয়খনৰ ১৫ জন ছাত্ৰই বিশেষ যোগ্যতা লাভ কৰাৰ লগতে ৩৬ জন ছাত্ৰই ৭৫ শতাংশৰ অধিক নম্বৰ লাভ কৰিছে আৰু ৫০ জন ছাত্ৰই ৬০ শতাংশৰ অধিক নম্বৰ লাভ কৰিছে। বিদ্যালয়ৰ ২০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ বিজ্ঞান শাখাত অৱতীৰ্ণ হৈছিল। ইয়াৰে অংকিতা মণ্ডলে ৯৪.২ শতাংশ, তেজস্ব প্ৰতিম চাহৰীয়াই ৯৩.৬ শতাংশ আৰু বিতোপন শৰ্মাই ৮৮ শতাংশ নম্বৰ লাভ কৰিছিল। ইয়াৰ ভিতৰত ১৪ জন ছাত্ৰই ৬০ শতাংশ নম্বৰৰ ওপৰত লাভ কৰিছে।

# নগাঁৱত সংগীত শিল্পীক অপমান! অনুষ্ঠান পৰিৱেশনৰ এপযেক পিছতো নাপালে চুক্তিৰ ধন

**ই-সংবাদ, বেবেজীয়া, ১৫ মে':** ৰাজ্যত এইবাৰ অনুষ্ঠিত হোৱা ব'হাগী উৎসৱৰ সাংস্কৃতিক অনুষ্ঠানত একাংশ সংগীত শিল্পী অপমানিত হোৱা তথা ক'ৰবাত সংগীত শিল্পীয়ে উদ্যোক্তাক অপমান কৰা আদিৰ দৰে বিতৰ্ক অব্যাহত থকাৰ মাজতে নগাঁও জিলাত সংগীত শিল্পীক উদ্যোক্তাই অপমান কৰাৰ লগতে অনুষ্ঠান পৰিবেশৰ পিছতো চুক্তিৰ ধন আদায় নিদিয়াৰ গুৰুত্বৰ অভিযোগ উত্থাপিত হৈছে। এই চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰিছে অভিজিৎ ৰাগ নামৰ এগৰাকী কণ্ঠশিল্পীয়ে । অভিযোগ মতে, যোৱা ২৭ এপ্ৰিলত নগাঁৰৰ টাউন তেলিয়াগাঁৱত সংগীতৰ অনুষ্ঠান পৰিৱেশনৰ বাবে আমন্ত্ৰণ কৰা হৈছিল নগাঁৰৰে জামুগুৰিৰ প্ৰতিভাৱান কণ্ঠশিল্পী অভিজিৎ ৰাগক। সেয়ে নিৰ্ধাৰিত দিনত 'ৰুদ্ৰাক্ষ কালচাৰেল অকাডেমি'ৰ আমন্ত্ৰণ মৰ্মে সহযোগী শিল্পীৰ সৈতে অনুষ্ঠান পৰিবেশন কৰিছিল কণ্ঠশিল্পীগৰাকীয়ে। কিন্তু অনুষ্ঠান পৰিবেশনৰ পিছতো চুক্তিৰ ধন নিদিলে অন্যতম উদ্যোক্তা কৌশিক গৌতমে। জানিব পৰা মতে, নিশা ১-৩০ বজাত অনুষ্ঠান শেষ কৰি পুৱা ৫ বজালৈকে কৌশিক গৌতমৰচোতালত সংগীত শিল্পীৰ দলটো ৰৈ থাকিল যদিও চুক্তিৰ ধন আদায় নিদি ফোন ৰিচিভ নকৰি পলায়ণ কৰে ৰুদ্ৰাক্ষ কালচাৰেল অকাডেমিৰ স্বত্বাধিকাৰী তথা সেই অনুষ্ঠানটোৰ আয়োজক কৌশিক গৌতমে। ইয়াৰ পিছত ধুৰন্ধৰ কৌশিক গৌতমৰ লগত কণ্ঠশিল্পীগৰাকীয়ে যোগাযোগ কৰাত প্ৰাপ্য মাননি নিদি তাৰিখৰ পিছত তাৰিখ দি পিছুৱাই থাকে যদিও অৱশেষত যোৱা ১২ মে' প্ৰাপ্য ধনৰাশি দিয়াৰ কথা কয়। কিন্তু এইবাৰো চুক্তিৰ ধন আদায় নিদি প্ৰবঞ্চনাহে কৰাত পিছদিনা ১৩ মে'ত কণ্ঠশিল্পী অভিজিৎ ৰাগ কৌশিক গৌতমৰ ঘৰলৈ যায়। কিন্তু প্ৰবঞ্চক কৌশিক গৌতমক লগ নোপোৱাত তেওঁৰ বিষয়ে সুধাত প্ৰবঞ্চকটোৰ পিতৃয়ে ওলোতাই কণ্ঠশিল্পীজনক দুৰ্ব্যৱহাৰহে কৰে। সেয়ে উপায়হীন হৈ ভুক্তভোগী কণ্ঠশিল্পীজন এতিয়া সংবাদ মাধ্যমৰ আৰু আৰক্ষীৰ কাষ চপাৰ লগতে ন্যায় বিচাৰি কৌশিক গৌতমৰ বিৰুদ্ধে আৰক্ষীক এজাহাৰ দাখিল কৰিছে বুলি জানিব পৰা গৈছে । ইফালে, শিল্পীক প্ৰবঞ্চনা কৰা কৌশিক গৌতমে কেৱল কণ্ঠশিল্পী অভিজিৎ ৰাগকেই নহয় সেইদিনাৰ অনুষ্ঠানৰ কৌতুক গোষ্ঠী, অৰ্কেষ্ট্ৰা দল, মঞ্চ আৰু শব্দযন্ত্ৰৰ গৰাকীকো বৰ্তমানেও চুক্তিৰ ধন আদায় নিদিয়া বুলি অভিযোগ পোৱা গৈছে। ইয়াৰ বিপৰীতে তেওঁ প্ৰদান কৰা চেকসমূহ বাউঞ্চ হোৱাৰহে গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। সেয়ে ঠগ, প্ৰৱঞ্চনা আৰু প্ৰলোভনেৰে অনুষ্ঠান পাতি বাঃ বাঃ লোৱা এইগৰাকী ধুৰন্ধৰ ব্যক্তিৰ বিৰুদ্ধে আৰক্ষীক বিহিত ব্যৱস্থা গ্ৰহনৰ দাবী জনাইছে নগঞা সচেতন মহলে।

# হেলচাত শ্বহীদ বীৰ জোৱানক সোঁৱৰণ, বিহুৰ স্মৰণিকা 'ঐক্যতান' উন্মোচন

**ই-সংবাদ, চামতা, ১৫ মে':** নলবাৰী জিলাৰ হেলচা নৱাৰুণ ক্লাৱে আজি এক ব্যতিক্ৰম তথা গাম্ভীৰ্যপূৰ্ণ কাৰ্যসূচীৰে নলবাৰী জিলাৰ বিভিন্ন ক্ষেত্ৰৰ পাঁচগৰাকী বিশিষ্ট ব্যক্তিক ২০২৫ চনৰ ভিন্ন শিৰোনামৰ পাঁচটা বঁটা প্ৰাদন কৰিছে। উল্লেখ্য যে নৱাৰুণ ক্লাব হেলচাৰ উদ্যোগত ১৪ আৰু ১৫ মে'ত ষষ্ঠ দশ বাৰ্ষিক ৰঙালী বিহু উৎসৱ দেশৰ যুদ্ধকালীন পৰিস্থিতিৰ বাবে মুখ্যমন্ত্ৰীৰ আহ্বানত স্থগিত ৰখা হয় যদিও আজি দিনৰ ভাগতে পূৰ্বৰ বহুখিনি কাৰ্যসূচী বাতিল কৰি এক ব্যতিক্ৰম ৰূপত "শ্বহীদ প্ৰণামো তোমাক; সম্বৰ্ধনা জ্ঞাপন, স্মৰণিকা উন্মোচন, সংগীতানুষ্ঠান আৰু বঁটা প্ৰদান অনুষ্ঠান" শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই উপলক্ষে পুৱাৰ ভগত নবাৰুণ ক্লাবৰ পতাকা উত্তোলন কৰে ক্লাবৰ সভাপতি নৰৰত্ন পাটোৱাৰীয়ে । বিহুৰ পতাকা উত্তোলন কৰে ৰঙালী বিহু উদযাপন সমিতিৰ সভাপতি প্ৰতুল ভট্টাচাৰ্যই। ইয়াৰ পিছতে ভাৰত-পাকিস্তানৰ যুদ্ধত শ্বহীদ হোৱা বীৰ জোৱানসকলৰ সোঁৱৰণত শ্ৰদ্ধাঞ্জলি দিয়া "শ্বহীদ প্ৰণামো তোমাক" কাৰ্যসূচীত লোক শিল্পী লোহিত পাটোৱাৰী, নলবাৰীৰ সমাজ ৰত্ন ধীৰেন কুমাৰ বৰ্মন, অসম টাইমৰ মুখ্য সম্পাদক এম মহিবৰ ৰহমান, সমন্বয়ক নৰেন ৰাজবংশী, কবি কন্দৰ্প কুমাৰ দাস, সংগীত শিল্পী দীপক দাস, দিবাকৰ ডেকা, নিৰোদ বৰ্মন, লোহিত দাস, বিশিষ্ট নাট্যকাৰ সতীশ দাস, নলবাৰী জিলা সাংবাদিক সন্থাৰ কাৰ্যকৰী সভাপতি ৰাজেন বৈশ্য, বৰবিলা গাঁও উন্নয়ন সমিতিৰ বিষয়ববীয়া হৰেন দাস, পিংকু দাসকে ধৰি বহু কেইগৰাকী বিশিষ্ট লোকে বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলিপ্ৰদান কৰে। শ্বহীদ বেদীত বন্তি প্ৰজ্বলন কৰে বিশ্বেশ্বৰ দেৱালয়ৰ দলে ৰঞ্জিত কুমাৰ মিশ্ৰই। নৱাৰুণ ক্লাবৰ সভাপতি নৰৰত্ন পাটোৱাৰীয়ে আঁত ধৰা সম্বৰ্ধনা জ্ঞাপন অনুষ্ঠানত প্ৰবীণ ফুটবল খেলুৱৈ ডিম্বেশ্বৰ চৌধুৰী, প্ৰাক্তন ৰাষ্ট্ৰীয় ভলীবল খেলুৱৈ নিৰেন শৰ্মা, দেৱজিৎ ঠাকুৰীয়া, বিকাশ ভট্টাচাৰ্য, চামতা আঞ্চলিক সাহিত্য সভাৰ সভাপতি এম হাচান আলী, সৰ্থেবাৰীৰ বিশিষ্ট কঁহাৰ শিল্পী; তেওঁৰ সহধৰ্মিণী কৃতী শিক্ষয়িত্ৰী, সু-লেখিকা নিজৰা বৰ্মন ডেকা, মহিলা সবলীকৰণত বিশেষ ভূমিকা পালন কৰা, প্ৰাক্তন কাউন্সিলৰ, বিশিষ্ট সমাজ সেৱীকা দিজু ডেকা, প্ৰবীণ ফুটবল খেলুৱৈ পংকজ ভূঞা, হেলচা হাইস্কুলৰ অৱসৰি প্ৰধান শিক্ষক ভগৱান চন্দ্ৰ বৰ্মন, কুংফু ব্লেক বেল্ট খেলুৱৈ মৈত্ৰেয়ী ভৰদ্বাজ, সংগীত শিল্পী দুলাল বৈশ্য, শিক্ষক , সমাজকৰ্মী সনাতন বায়ন, শিক্ষক, সংগীত শিল্পী পুলিন বৈশ্য, ভনিতা বৈশ্য, সমাজকৰ্মী তথা নৱনিৰ্বাচিত জিলা পৰিষদ সদস্য দিলীপ বৰ্মন, সাংবাদিক নলিনী ডেকা, সঞ্জয় তালুকদাৰ, চন্দন শৰ্মা, কৃষ্ণ তালুকদাৰ, হীৰেন বৰ্মন, নলবাৰী জিলা অ' বি চি মৰ্চাৰ সম্পাদক জিতু ৰাজবংশীকে ধৰি হেলচা,দাহুদী, বৰবিলা, সৰ্থেবাৰী, নলবাৰীৰ প্ৰায় দুকুৰি বিশিষ্ট ব্যক্তিক ৰাজহুৱাকে সম্বৰ্ধনা জনোৱা হয় । ইয়াৰ পিছতে হিচা গাঁৱৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতী ২০ গৰাকী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা হয়। ইয়াৰ পিছতে নবাৰুণ ক্লাবে ইতিপূৰ্বে ঘোষণা কৰা ২০২৫ বৰ্ষৰ বিশেষ সন্মান বঁটা প্ৰদান অনুষ্ঠান উদ্বোধন কৰে অসম চৰকাৰৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ উপ-সঞ্চালক ৰবীন ডেকাই। ভাস্কৰ ভট্টই সম্পাদনা কৰা বিহুৰ স্মৰণিকা "ঐক্যতান" উন্মোচন কৰে নলবাৰীৰ শংকৰদেৱ একাডেমীৰ অধ্যক্ষ ড° বিনয় কুমাৰ মজুমদাৰে। অনুষ্ঠানত অসম টাইমৰ মুখ্য সম্পাদক, প্ৰবীণ সাংবাদিক এম মহিবৰ ৰহমানক "সংবাদ সৌৰভ ২০২৫" বঁটা ; নিউজ লাইভৰ ছিনিয়ৰ ব্যুৰ' চীফ ব্ৰজেন তালুকদাৰক "সংবাদ সুগন্ধি -২০২৫ বঁটা; বিশিষ্ট সংগীত শিল্পী, পৰিচালক দীপক দাসক "সংগীত সাধনা ২০২৫ বঁটা প্ৰদান কৰা হয় "ধন্য নাৰী ধন্য বসুন্ধৰা -২০২৫" বঁটা প্ৰদান কৰা হয় নলবাৰীৰ জিলা আয়ুক্ত বৰ্ণালী ডেকাক, " অসমী আইৰ জনপ্ৰিয় দুহিতা-২০২৫' বঁটা প্ৰদান কৰা হয় মোহময়ী অভিনেত্ৰী আঙুৰলতা ডেকাক। এই দুই বঁটা প্ৰাপক বিশেষ অসুবিধাবশতঃ আজিৰ বঁটা প্ৰদান অনুষ্ঠানত বঁটা গ্ৰহণ কৰিব নোৱাৰিলে যদিও উদ্যোক্তাসকলে তেওঁলোকৰ ঘৰলৈ বঁটা দুটি প্ৰদান কৰিব বুলি জনাইছে। অনুষ্ঠানৰ মাজতে কেইবাগৰাকী কণ্ঠ শিল্পীয়ে গীত-মাত পৰিৱেশন কৰে। কণমানি শিল্পী মিমিষা ডেকাই কণ কণ তিনিটি শিশু ঢুলীয়াৰ বাদ্য সংগতত এটি বিহু নৃত্য কৰি সকলোকে আপ্লুত কৰে।

## শিক্ষাবৰ্ষ শেষ হ'ল! নলবাৰীৰ শ শ ছাত্ৰ-ছাত্ৰীয়ে নাপালে বিনামূলীয়া ইউনিফৰ্ম

**ই-সংবাদ , নলবাৰী, ১৫ মে':** চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ -ছাত্ৰীৰ মাজত যোগান ধৰি অহা বিনামূলীয়া ইউনিফৰ্ম যোগান ধৰাৰ নামত পয়মালৰ সৃষ্টি হোৱাৰ অভিযোগ উঠিছে। উল্লেখ্য, চৰকাৰী শিক্ষা ব্যৱস্থা উন্নত আৰু শিক্ষাৰ্থীৰ সহায়ক হোৱাকৈ চৰকাৰে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে যদিও, ৰাজ্যৰ চৰকাৰী বিদ্যালয়ৰ হেজাৰ -হেজাৰ শিক্ষাৰ্থীয়ে ২০২৪-২৫ শিক্ষা বৰ্ষৰ বিনামূলীয়া ইউনিফৰ্ম আজিলৈকে নাপালে। উক্ত শিক্ষা বৰ্ষ যোৱা মাৰ্চ মাহতে শেষ হ'ল। চলিত ২০২৫-২৬ শিক্ষা শিক্ষা বৰ্ষৰো ডেৰ মাহ পাৰ হ'ল, কিন্তু আজিলৈকে নাপালে নৱম আৰু দশম শ্ৰেণীৰ যোৱা শিক্ষা বৰ্ষৰে ইউনিফৰ্ম। জানিব পৰা ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ -ছাত্ৰীক দুয়োৰকৈ বিনামূলীয়া ইউনিফৰ্ম যোগান ধৰাৰ কথা আছিল। প্ৰণিধানযোগ্য, ৰাজ্যৰ বিভিন্ন জিলাৰ লগতে নলবাৰী জিলাৰো শ শ ছাত্ৰ -ছাত্ৰী আজিলৈকে ইউনিফৰ্মৰ পৰা বঞ্চিত হৈ আছে বুলি অভিযোগ উঠিছে। জিলাখনৰ বহু বিদ্যালয়ে জিলা শিক্ষা বিভাগৰ নিৰ্দেশ মতে এনে ইউনিফৰ্মৰ বাবে যোৱা বছৰতে ছাত্ৰ-ছাত্ৰীৰ জোখ দিছিল । কিন্তু জোখ দিলে আজিলৈকে বহু স্কুলৰ নৱম-দশম শ্ৰেণীৰ শিক্ষাৰ্থীয়ে নাপালে ইউনিফৰ্ম। ফলত চৰকাৰী বিদ্যালয়ৰ বহু শিক্ষাৰ্থীয়ে পুৰণি,চিলাই ফটা তথা ৰং উৰলি যোৱা ইউনিফৰ্মেৰে স্কুললৈ যাবলগীয়া হৈছে।

## সন্ধানহীন চাৰি সন্তানৰ পিতৃ

**ই-সংবাদ, বেবেজীয়া, ১৫ মে':** নগাঁও জিলাৰ উত্তৰ-পশ্চিম প্ৰান্তৰ জুৰীয়া আৰক্ষী থানাৰ এলেকাধীন কলাডুবাৰ সমীপৰ লাঠিমাৰী চাপৰিৰ এগৰাকী চাৰি সন্তানৰ পিতৃৰ ৰহস্যজনকভাবে নিৰুদ্দেশ হোৱা ঘটনাই ৰাইজৰ মাজত চাঞ্চল্যৰ সৃষ্টি কৰিছে। নিৰুদ্দিষ্ট লোকজন হৈছে লাঠিমাৰী চাপৰিৰ নিবাসী জাকিৰ হুছেইন। আচলতে, যোৱা ৩ মে'ৰ পুৱাৰ ভাগত নিকটবৰ্তী বৰালীমাৰী বজাৰলৈ বুলি ওলাই যোৱাৰ পিছৰে পৰাই আশ্চৰ্যজনকভাৱে সন্ধানহীন পৰে। আনকি সেইদিনাই বিয়লি লোকজনে বজাৰৰ পৰা মৈৰাবাৰীৰ এখন নিৰ্বাচনী সভালৈ যোৱা বুলি ম'বাইল ফোন যোগে পত্নীক অৱগত কৰিছিল যদিও তাৰ পিছৰে পৰাই ম'বাইল ফোনৰ ছুইচ অফ হৈ আছে বুলি জানিব পৰা গৈছে। লোকজনৰ কোনো শুংসূত্ৰ বাহিৰ নোলোৱাত উপায়হীন হৈ এই সন্দৰ্ভত ভুক্তভোগী পৰিয়ালৰ লোকে আৰক্ষীক এজাহাৰ দাখিল কৰিছে। গতিকে কোনো সদাশয় লোকে যদি নিৰুদ্দিষ্ট জাকিৰ হুছেইনৰ কিবা সম্ভেদ পায় তেন্তে ওচৰৰ আৰক্ষী থানা নাইবা ৮৪৭৪০-৭০৫১৪ নম্বৰত যোগাযোগ কৰিবলৈ লোকজনৰ দুৰ্ভগীয়া পত্নী আৰু পৰিয়ালৰ লোকে অনুৰোধ জনাইছে।

# মঙলদৈত বাহাৰুল ইছলামৰ গ্ৰন্থ 'হৃদয়ৰ এজাক বৰষুণ' উন্মোচন

**ই-সংবাদ, দুনী, ১৫ মে':** মঙলদৈ ইয়ুথ ক্লাৱত নৱ প্ৰজন্মৰ বিশিষ্ট কবি বাহাৰুল ইছলামৰ গ্ৰন্থ হৃদয়ৰ এজাক বৰষুণৰ উন্মোচন কৰে বিশিষ্ট সাহিত্যিক,অসম সাহিত্য সভাৰ প্ৰাক্তন উপ সভাপতি গীতিকাৰ ইদ্ৰিছ আলীয়ে। বিয়লি ৩ বজাত অনাতাঁৰ শিল্পী ইনামুল হকে কণ্ঠদান কৰা গ্ৰন্থকাৰৰ গীতেৰে আৰম্ভ হোৱা উন্মোচনী সভাত সভাপতিত্ব কৰে ডঃ ৰামচন্দ্ৰ ডেকাই। সভাত বিশিষ্ট অতিথি হিচাপে শিল্পী লোকনাথ গোস্বামী, লেখিকা বৰদা শইকীয়া, দৰং জিলা সাহিত্য সভাৰ উপ-সভাপতি কুঞ্জ দেৱী, সম্পাদক মৃণাল ৰাজবংশী, প্ৰাক্তন সম্পাদক মুকুট হাজৰিকা,সমাজ সেৱী ৰাণা আলম, আনোৱাৰ হুছেইন, দৰং জিলা গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ উপ-সভাপতি মইনুল হক শইকীয়া, সম্পাদক চাহাবুদ্দিন আহমেদ, নাট্য কাৰ আব্দুল আজিজকে ধৰি প্ৰায় শতাধিক বিশিষ্ট লোক উপস্থিত থকা সভাত গ্ৰন্থখন উন্মোচন কৰি উন্মোচক ইদ্ৰিছ আলিয়ে কয় এখন গীতৰ পুথি বা গ্ৰন্থ উন্মোচন কৰিলেই নহ'ব। এই ধাৰা অব্যাহত ৰাখিব লাগিব। তেওঁ লগতে কয়, গ্ৰন্থখনত থকা গীতসমূহ সুৰকাৰ আৰু শিল্পীৰ দ্বাৰা সুৰ কৰি ৰাইজৰ মাজলৈ লৈ যাব লাগিব বুলি কৈ গ্ৰন্থকাৰ বাহাৰুল ইছলামৰ শলাগ লয়। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি শিল্পী লোকনাথ গোস্বামীয়ে গীত-কথাৰ মাজেৰে ভাষণ প্ৰসংগত বিষ্ণু ৰাভা আৰু জ্যোতিপ্ৰসাদ আগৰৱালাৰ পৰা আৰম্ভ কৰি বৰ্তমান সময়লৈকে সংগীতৰ ইতিহাস ব্যাখ্যা কৰি তেখেতৰ কালজয়ী গীত মঘাই বোলে ঢোলৰ মাত ধিনিকি ধিন দাও পৰিবেশন কৰি অনুষ্ঠান জীপাল কৰি তোলে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত শিল্পী দ্বীজেন্দ্ৰ মোহন দেৱশৰ্মায়ো গীত পৰিৱেশন কৰি সকলোকে মন্ত্ৰমুগ্ধ কৰে।

# চৰকাৰী ধন অপচয়! বামুণঝাৰৰ কৃষি অৰ্থনীতিত জলসিঞ্চন আঁচনিৰ মাধমাৰ

**ই-সংবাদ দুনী, ১৫ মে':** বামুণঝাৰত ব্যৰ্থ হৈছে জলসিঞ্চন আঁচনি। উন্মোচিত হৈছে কৃষি খণ্ডৰ উন্নয়নৰ ফোঁপোলা স্বৰূপ। পৰিকল্পনাহীন দুৰ্বল ব্যৱস্থাৰ বাবে খেতি-পথাৰত কৃষকে পোৱা নাই পানী। মাথোঁ জলসিঞ্চন আঁচনিৰ নামত অপচয় হৈছে চৰকাৰী পুঁজিৰ। ভেঁকোভাওনাত পৰিণত জলসিঞ্চন আঁচনিয়ে মাধমাৰ শোধাইছে কৃষি অৰ্থনীতিত। খাৰালি কালত এটোপাল পানী নাপায় বামুণঝাৰৰ কৃষকে। অথচ বাৰিষা জলসিঞ্চন আঁচনিৰ নলাৰে ওলোৱা নৈৰ পানীয়ে বিপৰ্যস্ত কৰে খেতি-পথাৰ। উল্লেখ্য, বৰ্তমানৰ তামোলপুৰ জিলাৰ বামুণঝাৰ মাঁৰৈচুবাত নিৰ্মাণ কৰা হৈছিল এক ক্ষুদ্ৰ জলসিঞ্চন আঁচনি। বৰনদীত নিৰ্মাণ কৰা আঁচনিখনৰ জৰিয়তে বামুণঝাৰ আৰু হেঙালপাৰাৰ গাঁৱৰ কৃষি ভূমিত পানী যোগানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হয়। টংলা জলসিঞ্চন সংমণ্ডলে আঁচনিখনৰ বিপৰীতে আবণ্টন দিছিল ৪৩৫,০০ লাখ টকা। কিন্তু দুৰ্নীতি-অনিয়মৰ বাবে জলসিঞ্চন আঁচনিখনৰ বাবদ অপচয় হ'ল চৰকাৰী পুঁজিৰ। বিয়াগোম বিভাগটোৰ দায়িত্বহীনতা, পৰিকল্পনাহীন ব্যৱস্থাৰ বাবে ভালুকৰ সাঙীত পৰিণত হৈছে আঁচনিখন। বামুণঝাৰ আৰু হেঙালপাৰাৰ কৃষি ভূমিত পানী যাবৰ বাবে নিৰ্মাণ কৰা পকী নলা এতিয়া জাবৰ-জোঁথৰ পৰি পোত যোৱা পৰিলক্ষিত হৈছে। তাৰোপৰি আঁচনি খনৰ বিপৰীতে চৰকাৰী কৰ্মচাৰী আছে নাই তাকো নাজানে ৰাইজে। নিৰ্মাণৰ পিছৰে পৰা জলসিঞ্চন বিভাগৰ বিষয়া-কৰ্মচাৰীৰ ছাঁ দেখা নাই স্থানীয় ৰাইজে। মাথোঁ দুই-এবছৰৰ মূৰে মূৰে ঠিকাদাৰ আহি নলা চাফা কৰি, আঁচনিখনৰ হাবি-জংঘল কাটি মেৰামতিৰ নামত লাখ লাখ টকা ৰাজকোষৰ পৰা উলিয়াই নিয়াৰ অভিযোগ উত্থাপিত হৈছে। বি টি আৰ চৰকাৰক বামুণঝাৰৰ ক্ষুদ্ৰ জলসিঞ্চন আঁচনিখন কৃষকৰ উপকাৰ সাধনৰ লক্ষ্যৰে কাৰ্যক্ষম কৰাৰ দাবী জনাইছে। বামুণঝাৰ গাঁৱৰ অৰ্থনীতি মূলতঃ কৃষিৰ ওপৰত নিৰ্ভৰশীল। কিন্তু পানীৰ অভাৱৰ বাবে বছৰত মাথোঁ এটা ধান খেতি কৰিব লগাত পৰে কৃষক ৰাইজে। যাৰবাবে কৃষকৰ আয় হ্ৰাস পাইছে।

আল্ফা বিষ্ট নিউট্ৰিচন
ALPHA BEAST NUTRITION
(TRUSTED SOURCE FOR NUTRITION)
Your One-Stop Supplement Store
All Genuine Supplement, Fitness Clothing & GYM Accessories
+91 99540 31090 Alpha Beast Nutrition nutrition.alphabeast
Kabita Mansion, 1st floor, Opp. Gauhati Commerce College, Rajgarh Link Road, No.1 Ghy-03, Assam

# ক্ৰিকেটাৰ পৃথ্বীৰ এটা পোষ্টক লৈ সৃষ্টি জল্পনা-কল্পনাৰ

**মুম্বাই, ১৫ মে':** চিৰদিনৰ বাবে ক্ৰীড়াঙ্গণ এৰাৰ ইংগিত দিলে পৃথ্বী শ্ব'ৰে। ২৫ বছৰীয়া ক্ৰিকেটাৰগৰাকীয়ে নিজৰ ইনষ্টাগ্ৰাম ষ্ট'ৰীত দিয়া এটা পোষ্টৰ পিছতে তেওঁৰ ক্ৰিকেট ত্যাগক লৈ সৃষ্টি হৈছে জল্পনা-কল্পনাৰ। এই পোষ্টত তেওঁ লিখিছিল, "মোক বিৰতি লাগে"। উল্লেখ্য যে, শেষবাৰৰ বাবে যোৱা ডিচেম্বৰ মাহত চৈয়দ মুস্তাক আলী ট্ৰফীত বেটিং কৰা দেখা গৈছিল পৃথ্বীক। উল্লেখ্য যে, এইবাৰৰ আই পি এলৰ মেগা নিলামত পৃথ্বীৰ মূল্য ৭৫ লাখ টকা হোৱাৰ পাছতো আনছ'ল্ড আছিল ক্ৰিকেটাৰজন। কোনো ফ্ৰেঞ্চাইজিয়ে তেওঁৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰা নাছিল। দিল্লী কেপিটেলছৰ হৈ ৭৯খন মেচত ১৪৭.৪৬ ষ্ট্ৰাইক ৰেট আৰু দুটা শতকসহ ১৮৯২ ৰান অৰ্জন কৰাৰ পিছতো আইপিএলত স্থান লাভ কৰিবলৈ সক্ষম নহ'ল পৃথ্বী। ৰাষ্ট্ৰীয় দলৰ হৈ তেওঁৰ শেষৰখন মেচ আছিল ২০২১ চনত। ঘৰুৱা ক্ৰিকেটতো তেওঁ ধাৰাবাহিকভাৱে ব্যৰ্থতাৰ সন্মুখীন হৈ আহিছে। ক্ৰিকেট চক্ৰৰ মতে পৃথ্বীৰ অনিয়ন্ত্ৰিত জীৱনশৈলীয়ে তেওঁৰ কেৰিয়াৰৰ পতনৰ মূল কাৰণ। এসময়ত শচীন তেণ্ডুলকাৰৰ লগত তুলনা কৰিব পৰা এই যুৱ প্ৰতিভা আজি তেওঁৰ ব্যক্তিগত জীৱনৰ ফালৰ পৰা অধিক চৰ্চিত হৈছে। ফিটনেছ বিষয়, অনুশাসনৰ অভাৱ আৰু বিতৰ্কই তেওঁৰ আশাব্যঞ্জক কেৰিয়াৰক গ্ৰাস কৰি পেলাইছে। এনে পৰিপ্ৰেক্ষিতত পৃথ্বীয়ে তেওঁৰ ইনষ্টাগ্ৰামত ব্যক্ত কৰা অনুভৱে এতিয়া ভিন্ন প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

# মিৰ্জাত পুৰুষ-মহিলা ভাৰত্তোলন প্ৰতিযোগিতা

**ই-সংবাদ, গুৱাহাটী, ১৫ মে':** কামৰূপ জিলা পাৱাৰ লিফটিং এচোছিয়েশ্যনৰ উদ্যোগত, দক্ষিণ কামৰূপ মহাবিদ্যালয় আৰু গীয়া ডাইনামো ষ্ট্ৰেথ এণ্ড ফিটনেছ হাবৰ সহযোগত ১৮ এপ্ৰিলত মিৰ্জাস্থিত দক্ষিণ কামৰূপ মহাবিদ্যালয়ত অনুষ্ঠিত হ'ব ৫২ সংখ্যক সদৌ অসম আন্তঃজিলা চাব-জুনিয়ৰ, জুনিয়ৰ, চিনিয়ৰ, মাষ্টাৰ্ছ পুৰুষ-মহিলাৰ ভাৰত্তোলন প্ৰতিযোগিতা। একেদৰে অনুষ্ঠিত হ'ব ১৩সংখ্যক সদৌ অসম আন্তঃজিলা পুৰুষ-মহিলাৰ ক্লাচিক ভাৰত্তোলন প্ৰতিযোগিতা। দিনজোৰাকৈ অনুষ্ঠিত হবলগীয়া প্ৰতিযোগিতাখন বন্তি প্ৰজ্বলনৰে উদ্বোধন কৰা হব।




আকৌ আৰম্ভ হ'ব আইপিএল! ক্ৰীড়াঙ্গণত নমাৰ পূৰ্বে অনুশীলনত হাঁহি-ধেমালি কলকতা নাইট ৰাইডাৰ্ছৰ খেলুৱৈৰ

## খেল আধাতে এৰি স্বদেশলৈ উভতিব লাগিব ৰাবাডা, মাৰ্কোই

# আইপিএলৰ পৰা দক্ষিণ আফ্ৰিকাৰ খেলুৱৈক ৰিলিজৰ নিৰ্দেশ বিচিচিআইৰ

**মুম্বাই, ১৫ মে':** যুদ্ধ উত্তেজনাৰ বাবে স্থগিত হৈ থকা ক্ৰিকেটৰ মহাৰণ আইপিএল পুনৰ আৰম্ভ হ'ব ১৭ মে'ৰ পৰা। কিন্তু খেল আৰম্ভ হোৱাৰ পূৰ্বে বিচিচিআইৰ এক কঠোৰ সিদ্ধান্তই প্লে অফত স্থান লাভৰ আশা কৰা ফ্ৰেঞ্চাইজিসমূহৰ বাবে নমাই আনিছে এক বৃহৎ বিপৰ্যয়। ২৬ মে'ৰ ভিতৰত দক্ষিণ আফ্ৰিকাৰ ক্ৰিকেটাৰসকলক প্ৰতিযোগিতাৰ পৰা ঘূৰাই পঠিয়াবলৈ ফ্ৰেঞ্চাইজিসমূহক নিৰ্দেশ দিছে বিচিচিআইয়ে। ফলস্বৰূপে কাগিছ' ৰাবাডা, মাৰ্কো জান্সেন, লুংগি ইংগিড়িৰ দৰে তাৰকাই প্লে অফত খেলাৰ সুযোগ লাভ নকৰিব, যিয়ে গুজৰাট, পঞ্জাব, বাংগালুৰুৰ দৰে দলৰ খিতাপ দখলৰ সপোনত সৃষ্টি কৰিব পাৰে বাধাৰ। উল্লেখ্য যে, ৯ দিনৰ বিৰতিৰ অন্তত ১৭ মে'ৰ পৰা ৬ টা স্থানলৈ ঘূৰি আহিব আই পি এল ২০২৫। কিন্তু দক্ষিণ আফ্ৰিকা আৰু অষ্ট্ৰেলিয়াৰ ক্ৰিকেট উত্থান ঘটিছে, দক্ষিণ আফ্ৰিকাই ১১ জুনত বিশ্ব টেষ্ট চেম্পিয়নশ্বিপ (ডব্লিউ টি চি)ৰ ফাইনেলৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিব। ক্ৰিকেট দক্ষিণ আফ্ৰিকাই (চিএছএ) প্ৰথমে ২৬ মে'ৰ ভিতৰত ডব্লিউ টি চিৰ ফাইনেল দলৰ ক্ৰিকেটাৰসকলক প্ৰত্যাহাৰ কৰাৰ ক্ষেত্ৰত কঠোৰ স্থিতি গ্ৰহণ কৰিছিল। বিচিচিআই আৰু ফ্ৰেঞ্চাইজিৰ হেঁচাত এসময়ত এনে লাগিছিল যে ক্ৰিকেটাৰসকলে প্লে অফত প্ৰৱেশ কৰিবলৈ সক্ষম হ'ব। কিন্তু বৃহস্পতিবাৰে সন্ধিয়া ছবিখন সলনি হ'ল। বিচিচিআইয়ে স্পষ্ট কৰি দিছে যে ২৬ মে'ৰ পিছত দক্ষিণ আফ্ৰিকাৰ ক্ৰিকেটাৰ সকলক দলে মুকলি কৰি দিব লাগিব। ডব্লিউ টি চিৰ ফাইনেল দলৰ আঠজন খেলুৱৈ- ট্ৰিষ্টান ষ্টাবছ (দিল্লী), কাগিছ' ৰাবাডা (গুজৰাট), কৰ্বিন বছ (মুম্বাই), ৰিয়ান ৰিকেলটন (মুম্বাই), মাৰ্কো জান্সেন (পাঞ্জাব), লুংগি ইংগিড়ি (বেংগালুৰু), আইডেন মাৰ্কৰাম (লক্ষ্ণৌ) আৰু উইয়ান মাল্ডাৰ (হাইদৰাবাদ, ইতিমধ্যে বাহিৰ)য়ে খেল আৰম্ভ হোৱাৰ পূৰ্বে ঘূৰি যাব লাগিব স্বদেশলৈ। এই সিদ্ধান্তই ফ্ৰেঞ্চাইজিসমূহক হতাশ কৰিছে।




বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি